ই-সংবাদ
www.newsnextone.com
Sacn to Donate
NEWSNEXTONE.COM
FRIDAY, NOVEMBER 01, 2024 ■ শুকুৰবাৰ, ১৫ কাতি, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ প্ৰথম বছৰ, সংখ্যা ২৯৮ Guwahati, Assam ।। মূল্যঃ এটকা

## ৰাণী নৰহক উত্তৰ ভূপেন বৰাৰ

ই-সংবাদ, ৩১ অক্টোবৰঃ এদিন পূৰ্বে প্ৰাক্তন সাংসদ তথা জ্যেষ্ঠ কংগ্ৰেছ নেত্ৰী ৰাণী নৰহে ৩ পৃষ্ঠাত চাওক



# মাজুলীৰ দলঙৰ নিৰ্মাণ কাৰ্য বন্ধৰ ২ মাহ অতিক্ৰম

**ই-সংবাদ, মাজুলী, ৩১অক্টোবৰঃ** মাজুলীৰ আৰ্থ-সামাজিক, শৈক্ষিক, স্বাস্থ্য, বাণিজ্যিক আদিৰ উন্নয়নৰ স্বাৰ্থত মাজুলীবাসীৰ সপোনস্বৰূপ যোৰহাট-মাজুলী সংযোগী দলং নিৰ্মাণত লাগিল কেনা! বিজেপি চৰকাৰে ২০১৬ বৰ্ষত দলঙৰ শেষাংশ ২ পৃষ্ঠাত

## ড্ৰাগছ আসক্ত যুৱক-যুৱতীৰ তাণ্ডৱ

# কাকপথাৰত ৰাস্তাতে জ্বলাই দিলে স্কুটাৰ

**ই-সংবাদ, ডুমডুমা, ৩১ অক্টোবৰঃ** কালীপূজা আৰু পোহৰৰ উৎসৱ দীপাৱলীৰ দিনা তিনিচুকীয়া জিলাৰ কাকপথাৰৰ কাকপথাৰ শেষাংশ ২ পৃষ্ঠাত

## ‘কা’ বিৰোধী সমন্বয় সমিতিৰ সংবাদমেল


# সাহিত্যৰথীৰ প্ৰতিমূৰ্তিৰ স্থানান্তৰ মানি লোৱা নহ’ব



**ই-সংবাদ, ৩১ অক্টোবৰঃ** বিশিষ্ট চিন্তাবিদ ডঃ হীৰেন গোহাঁইৰ নেতৃত্বত আৰু ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ সপ্ৰতিভ কন্যা সত্যশ্ৰী দাসৰ উপস্থিতিত গুৱাহাটী প্ৰেছ ক্লাৱত আজি ‘কা’ বিৰোধী সমন্বয় সমিতিয়ে এখন সংবাদমেলৰ আয়োজন কৰে। সংবাদমেলত শেষাংশ ৫ পৃষ্ঠাত

## বনগাঁৱত শেষকৃত্য সম্পন্ন

# নিথৰ দেহ টানি নিয়া কাণ্ডৰ তদন্ত ঘোষণা ডিজিপিৰ



**ই-সংবাদ, ৩১ অক্টোবৰঃ** অসম আৰক্ষীয়ে পিতৃ-কন্যাৰ নিথৰ দেহ ক’লা পলিথিনেৰে মেৰিয়াই টানি নিয়া ঘটনাই ৰাজ্যবাসীক মৰ্মাহত কৰি তুলিছে। দুৰ্ঘটনাত পতিত শেষাংশ ৪ পৃষ্ঠাত

## ডিমা হাছাওৰ আদানি বিৰোধী প্ৰতিবাদ মষিমূৰৰ চেষ্টা

# প্ৰতিবাদী যুৱকক হত্যা কৰি পুতি থোৱাৰ ভাবুকি দিলে বিজেপিৰ ইএমে

**ই-সংবাদ, ৩১ অক্টোবৰঃ** ডিমা হাচাও জিলাৰ থলুৱাৰ ৯ হাজাৰ বিঘা ভূমি আদানি গোটক গটাবলৈ চৰকাৰ সাজু হোৱাৰ সময়তে এইবাৰ চিমেণ্ট উদ্যোগ স্থাপনত বাধা দিয়া যুৱকক হত্যা কৰি পুতি থব খোজাৰ অভিযোগ উত্থাপন হৈছে। এইদৰে এতিয়া শাসকীয় পক্ষই বিভিন্ন প্ৰকাৰে ভয়-ভাবুকি প্ৰদান কৰি শেষাংশ ৩ পৃষ্ঠাত



# গছ ৰক্ষা আন্দোলনক সমৰ্থন বিজেপিৰ ২ বিধায়কৰ

**ই-সংবাদ, ৩১ অক্টোবৰঃ** উৰণীয়া সেঁতু নিৰ্মাণৰ নামত ডঃ হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন অসম চৰকাৰে দীঘলীপুখুৰী পাৰৰ গছ কাটিব খোজা শেষাংশ ৪ পৃষ্ঠাত






# এটা বেয়া খবৰ!

**ডেৰাডুন, ৩১ অক্টোবৰঃ** হঠাৎ গাঁওখনত বৃদ্ধি পোৱা এইচ আই ভি সংক্ৰমণক লৈ চিন্তাত পৰিছিল স্বাস্থ্য বিভাগ। কম সময়ৰ ভিতৰতে ডজনৰো অধিক লোকৰ দেহত শেষাংশ ৫ পৃষ্ঠাত

## দীপাৱলীত অন্ধ্ৰত অঘটন

# ‘চকলেট বোমা’ বিস্ফোৰণ হৈ এজন নিহত, আহত ৬



**হায়দৰাবাদ, ৩১ অক্টোবৰঃ** দীপাৱলী উদযাপনৰ প্ৰাকক্ষণত আতচবাজী বিস্ফোৰণত মৃত্যু ঘটিল এজন লোকৰ। এই ঘটনা সংঘটিত শেষাংশ ২ পৃষ্ঠাত

## প্ৰচাৰ অভিযানৰ মাজতে গৌৰৱ গগৈৰ অকপট স্বীকাৰোক্তি

# মিত্ৰতা ভংগ! কঠিন হৈছে বিহালীৰ যুদ্ধ

**ই-সংবাদ, ৩১ অক্টোবৰঃ** বিৰোধীৰ মিত্ৰজোঁট অসম সন্মিলিত মৰ্চা চমুকৈ ‘অসম’ত বৰ্তমান সদস্য হিচাপে থকা দলসমূহে কংগ্ৰেছৰ বিৰুদ্ধে মিত্ৰতাৰ ধৰ্ম পালন নকৰাৰ



অভিযোগ উত্থাপন কৰি আহিছে। ৰাইজৰ দলৰ সভাপতি অখিল গগৈ আৰু অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈয়ে বিহালী সমষ্টি শেষাংশ ৩ পৃষ্ঠাত

প্ৰথম পৃষ্ঠাৰ পৰা...

# মাজুলীৰ দলঙৰ নিৰ্মাণ কাৰ্য বন্ধৰ

আধাৰশিলা স্থাপন কৰি ২০২১ বৰ্ষৰ ২৯ নৱেম্বৰত অসমৰ মুখ্যমন্ত্ৰীয়ে ভাৰত চৰকাৰৰ যোগেদি অনুমোদিত ৯২৫.৪৭ কোটি টকাৰ দলঙৰ প্ৰথম খুটাৰ আনুষ্ঠানিক উদ্বোধন কৰে। কেন্দ্ৰীয় পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰালয়ৰ দ্বাৰা প্ৰস্তাৱিত দলংখন ৬৫০.০৭ কোটী টকাৰে নিৰ্মাণৰ বাবে দায়িত্ব লাভ কৰা নিৰ্মাণকাৰী প্ৰতিষ্ঠান লক্ষ্ণৌৰ ইউ পি ষ্টেট ব্ৰিজ কৰ্প'ৰেচনে বি আৰ চি নামৰ অসমৰ অন্য এটা কোম্পানীক ছাব কণ্ট্ৰেক্ট হিচাপে কাম কৰিবলৈ দিছিল। তেতিয়াৰ পৰাই বিভাগীয়ভাৱে নিৰ্ধাৰিত ২০২৫ বৰ্ষত দলং নিৰ্মাণ সম্পন্ন কৰাৰ লক্ষ্যৰে বি আৰ চিয়ে দলং নিৰ্মাণৰ কাম কৰি আহিছিল। কিন্তু হঠাৎ আজিৰ পৰা প্ৰায় দুই মাহৰ পূৰ্বে নিৰ্মাণ কাৰ্য বন্ধ হৈ থকা এই মাজুলীবাসীৰ সপোনৰ দলংখনত লাগিল কেনা। নিৰ্মাণ কাৰ্য বন্ধ হৈ থকা দলংখনৰ খুঁটাত চকু পৰিছে চোৰৰ। নিৰ্মাণ কাৰ্য বন্ধ হৈ থকাৰ গইনা লৈ দলংখনৰ তিনিটাকৈ খুঁটাৰ গাৰ্ড ৱালৰ ৰ'ড কাটি নিলে চোৰে। ২৮, ৩০, ৩২ নং খুঁটাত থকা প্ৰায়ভাগ ৰ'ড কাটি নিলে চোৰে। যাকলৈ এতিয়া প্ৰতিক্ৰিয়া সৃষ্টি হৈছে মাজুলীত। মাজুলী-যোৰহাট সংযোগী দলংখনৰ নিৰ্মাণে মাজুলীক নতুন গতি প্ৰদান কৰিব, এইটো এচামে সহ্য কৰিব কৰিব পৰা নাই। এচামে যাৰ বাবে এনেকুৱা ধৰণৰ দুষ্কাৰ্য সংঘটিত কৰিছে বুলি মাজুলীত চৰ্চা চলাৰ লগতে কোনো কোনোৱে দুষ্ট লোকে নিজৰ অভিলাষ পূৰণৰ বাবেই এনেদৰে ৰ'ড কাটি বিক্ৰী কৰি উন্নয়নত বাধা প্ৰদান কৰিছে বুলি মন্তব্য কৰিছে। উল্লেখ যে মাজুলী-যোৰহাট সংযোগী দলংখনৰ নিৰ্মাণ কাৰ্য আজি প্ৰায় দুটা মাহে বন্ধ হৈ থকাৰ পাছতো এতিয়ালৈকে স্পষ্ট হোৱা নাই কেতিয়াৰ পৰা আৰম্ভ হ'ব বা নতুন প্ৰতিষ্ঠানক নিবিদা কেতিয়াৰ পৰা দিব। মাজুলী-যোৰহাট সংযোগী দলংখনৰ কাম বন্ধ হৈ থকাৰ সম্পৰ্কত ইতিমধ্যে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কেন্দ্ৰীয় পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীলৈ দলংখনৰ কাম বন্ধ হৈ থকাৰ সম্পৰ্কত পত্ৰ লিখি ব্যৱস্থা গ্ৰহণৰ আহ্বান জনোৱাৰ লগতে কেন্দ্ৰীয় মন্ত্ৰীগৰাকীক সাক্ষাৎ কৰি ডিচেম্বৰ ২০২৫ৰ লক্ষ্যৰ পৰা যাতে বিচলিত হ'ব লগা নহয়, তাৰ বাবে কেন্দ্ৰীয় মন্ত্ৰীগৰাকীৰ হস্তক্ষেপৰ আহ্বান জনায়। প্ৰয়োজন হ'লে পুনৰ নিবিদা দি নতুন কোম্পানীক নিৰ্মাণৰ দায়িত্ব দিয়াৰ কথাও তেওঁ উল্লেখ কৰিছিল। প্ৰাক্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালেও মাজুলী-যোৰহাট সংযোগী দলংখন বন্ধ থকা সম্পৰ্কত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি ইতিমধ্যে পুনৰ নতুনকৈ নিবিদা দিয়াৰ কথা উল্লেখ কৰিছিল। আজি কিন্তু প্ৰায় দুটা মাহে সম্পূৰ্ণ নিৰ্মাণ কাৰ্য বন্ধ হৈ থকাৰ পাছতো কোনো কেন্দ্ৰীয় চৰকাৰ বা ৰাজ্য চৰকাৰৰ পৰা স্পষ্ট মতামত অহা নাই, কেতিয়াৰ পৰা দলংৰ কাম আৰম্ভ হ'ব বা নতুনকৈ নিবিদা দিয়ে নে নাই। এই লৈ মাজুলীবাসী অনিশ্চয়তাত ভুগিছে। মাজুলীবাসীয়ে শীঘ্ৰে দলংখনৰ পুনৰ নিৰ্মাণৰ স্থিতি স্পষ্ট কৰিবলৈ চৰকাৰক আহ্বান জনাইছে। নিৰ্মাণ কাৰ্য বন্ধ হৈ থকা দলংখনৰ খুঁটাত যিহেতু চোৰৰ হাতোৰা পৰিছে গতিকে নিৰ্মীয়মাণ খুঁটাসমূহৰ আৰু যাতে কোনো বিঘ্নিত কৰিব নোৱাৰে তাৰ বাবে পহৰাৰ ব্যৱস্থা কৰিবলৈ জিলা প্ৰশাসনক দাবী জনাইছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# কাকপথাৰত ৰাস্তাতে জ্বলাই দিলে

কাকপথাৰ-টকৌপথাৰ-তালাপ সংযোগী ১৫ নং ৰাষ্ট্ৰীয় ঘাইপথত আজি পুৱা সংঘটিত হয় এক চাঞ্চল্যকৰ ঘটনা। আতচবাজী, ফটকা, দীপান্বিতাৰ সলনি ৰাজপথত জ্বলিল দাউ-দাউকৈ এখন স্কুটী। ঘটনাৰ বিৱৰণ অনুসৰি, কাকপথাৰ আৰক্ষী থানাৰ অন্তৰ্গত হাঁহখাতী গন্ধেগুৰি গাঁও নিৱাসী ৰত্নেশ্বৰ মৰাণৰ ড্ৰাগছ আসক্ত পুত্ৰ কুলদ্বীপ মৰাণে ডিব্ৰুগড জিলাৰ ডিকমৰ দাস উপাধিৰ আৰু জয়পুৰ লাবংকলাৰ গগৈ উপাধিৰ দুই ৰহস্যময়ী যুৱতীসহ নিজৰ এ এছ-২৩ জেড-৬৪৮৩ নম্বৰৰ এল্ট' বাহনখনেৰে কাকপথাৰ দিশৰ পৰা ডুমডুমা দিশে আহি ১৫ নং ৰাষ্ট্ৰীয় ঘাইপথৰ কাকপথাৰ-টকৌপথাৰ-তালাপ সংযোগী বাইপাছৰ কাষত ৰাখি অসামাজিক কৰ্মৰ লগতে নিষিদ্ধ ড্ৰাগছ সেৱন কৰি থকাৰ সময়তে ব্যৱসায় সূত্ৰে কাকপথাৰ দিশৰ পৰা ডুমডুমাৰ দিশে স্কুটীৰে আহি থকা কাকপথাৰৰ দীপাংকৰ মৰাণ নামৰ যুৱকজনে উক্ত স্থান অতিক্ৰম কৰিবলৈ লওঁতেই ড্ৰাগছ আসক্ত কুলদ্বীপ মৰাণে দীপাংকৰ মৰাণক প্ৰথমে ৰ'বলৈ কয়। সাধাৰণ কথাতে দুয়োৰে মাজত বাত-বিতণ্ডা হোৱাত ড্ৰাগছ আসক্ত কুলদ্বীপ মৰাণে প্ৰথমে চোকা অস্ত্ৰৰে দিপাংকৰ মৰাণক আক্ৰমণ কৰিবলৈ উদ্যত হয়। কোনোমতেহে ঘাইপথটোৰ কাষৰ এঘৰ লোকৰ বাসগৃহত গৈ নিজৰ প্ৰাণ ৰক্ষা কৰিবলৈ সক্ষম হোৱা দীপাংকৰ মৰাণৰ এ এছ-২৩ এ এফ-৭১৩৮ নম্বৰৰ স্কুটীখনক কুলদ্বীপ মৰাণৰ নিৰ্দেশ তথা সহযোগত দুই ৰহস্যময়ী যুৱতীয়ে পেট্ৰ'ল ঢালি জ্বলাই দি তিনিও ঘটনাস্থলীৰ পৰা তৎক্ষণাত পলায়ন কৰে। ঘটনাৰ পিছতেই দীপাংকৰ মৰাণৰ অভিযোগৰ ভিত্তিত দীপাংকৰক লগত লৈ পলাতক কুলদীপ মৰাণৰ লগতে যুৱতী দুগৰাকীৰ সন্ধানত কাকপথাৰ আৰক্ষীয়ে আৰম্ভ কৰে তীব্ৰতৰ অভিযান। অভিযানত পলাতক কুলদ্বীপ মৰাণসহ দুই ৰহস্যময়ী যুৱতীক ডিব্ৰুগড় জিলাৰ ডিকম আৰক্ষী চকীৰ অন্তৰ্গত এখন বজাৰত কাকপথাৰ আৰক্ষীয়ে আটক কৰিবলৈ সক্ষম হয়। আৰক্ষীয়ে লগতে ঘটনাত ব্যৱহৃত এল্ট' বাহনখনো জব্দ কৰে। ইতিমধ্যে কাকপথাৰ আৰক্ষীয়ে ডিকম আৰক্ষী চকীৰ পৰা আৰক্ষীৰ নিয়ম অনুসৰি নিৰ্দিষ্ট প্ৰক্ৰিয়াৰে আটকাধীন তিনিওকে কাকপথাৰ আৰক্ষী থানালৈ লৈ আনি ঘটনাৰ সন্দৰ্ভত তীব্ৰ জেৰা চলাই আছে। উল্লেখ্য যে, ড্ৰাগছ আসক্ত ধৃত কুলদ্বীপ মৰাণক পৰিয়ালৰ লোকে পূৰ্বে মাৰ্ঘেৰিটাৰ এটা নিচামুক্তি কেন্দ্ৰত ৰাখি চিকিৎসা কৰোৱাৰো তথ্য পোৱা গৈছে। তাৎপৰ্যপূৰ্ণ কথা এয়ে যে বৃহত্তৰ কাকপথাৰ অঞ্চলত দিনক দিনে নিষিদ্ধ ড্ৰাগছৰ প্ৰচলন বৃদ্ধি পাবলৈ ধৰাৰ সমান্তৰালকৈ HIV আক্ৰান্ত ৰোগীৰ সংখ্যাও বৃদ্ধি পাইছে। অসম-অৰুণাচল সীমান্তৱৰ্তী কাকপথাৰ অঞ্চলত নিষিদ্ধ ড্ৰাগছৰ অবাধ প্ৰচলন তথা কৰাল গ্ৰাসত যুৱ প্ৰজন্মই তিল তিলকৈ ধ্বংসৰ দিশে ধাৱমান হোৱাক লৈ সচেতন মহল যথেষ্ট চিন্তিত হৈ পৰিছে। চৰকাৰ-প্ৰশাসনে সময় থাকোঁতেই এই সন্দৰ্ভত উচিত পদক্ষেপ গ্ৰহণ নকৰিলে ৰাইজ অচিৰেই ৰাজপথলৈ ওলাই অহাৰো হুমকি দিছে। এই লৈ বৰ্তমানো প্ৰতিক্ৰিয়া অব্যাহত আছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# 'চকলেট বোমা' বিস্ফোৰণ হৈ

অন্ধ্ৰপ্ৰদেশৰ এলুৰু জিলাত। দীপাৱলীৰ বাবে অনা চকলেট বোমা বিস্ফোৰণৰ ফলত এজনৰ মৃত্যুৰ লগতে আহত হয় আন ৬ জন লোক। নিহত লোকজনৰ নাম সুধাকৰ বুলি চিনাক্ত কৰা হৈছে। বিস্ফোৰণস্থলীৰ সমীপৰ চিচিটিভি ফুটেজত প্ৰত্যক্ষ দৃশ্য অনুসৰি সুধাকৰ আৰু আন এজন লোকে এটা সৰু ৰাস্তাৰে স্কুটীত বস্তা এটা কঢ়িয়াই লৈ যায়। সেই বস্তাটোৰ ভিতৰত দীপাৱলীৰ বাবে বহু পৰিমাণৰ চকলেট বোমা নিয়াৰ অনুমান কৰা হৈছে। কিছু দূৰ পিছত এটা স্থানীয় মন্দিৰৰ সমীপত পথৰ এটা গাঁতত স্কুটীখনৰ চকা সোমাই পৰে। ইয়াৰ পিছতে চকলেট বোমা কঢ়িয়াই নিয়া বস্তাটো বাগৰি পৰি বিস্ফোৰণ সংঘটিত হয়। লক্ষণীয় যে, এই বিস্ফোৰণ ইমানেই বিধ্বংসী আছিল যে কিছু মুহূৰ্ত ভিতৰতে জ্বলি ছাই হৈ যায় স্কুটীখন। বিস্ফোৰণৰ ফলত সুধাকৰৰ থিতাতে মৃত্যু ঘটে। অন্যহাতে সেই সময়ত ঘটনাস্থলীৰ পৰা নাতিদূৰৈত ৰৈ থকা আন ৫ জন লোকো বিস্ফোৰণৰ তীব্ৰতাত গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয়। বিস্ফোৰণকাণ্ডৰ পিছত ক'লা ধোৱাৰ মাজৰ পৰা দুজন লোক কেনেবাকৈ ওলাই আহি সহায়ৰ বাবে কাতৰ আহ্বান জনায়। ইয়াৰ পিছতে স্থানীয় নিবাসীকলে আহতসকলক উদ্ধাৰ কৰি হাস্পতাললৈ প্ৰেৰণ কৰে। আহত সকলৰ দুজনৰ অৱস্থা সংকটজনক বুলি জানিব পৰা গৈছে। লক্ষণীয় যে, বাতৰি অনুসৰি চকলেট বোমাৰ দ্বাৰা সংঘটিত এই বিস্ফোৰণৰ তীব্ৰতা আইইডি বিস্ফোৰণৰ সমানেই ভয়াবহ আছিল। এনে পৰিপ্ৰেক্ষিতত দীপাৱলীৰ এই বোমা নিৰ্মাণত কেনেধৰণৰ বাৰুদ ব্যৱহাৰ কৰা হৈছিল তাক লৈ প্ৰশ্নৰ উত্থাপন হৈছে। আৰক্ষীয়েও ঘটনা সন্দৰ্ভত এটা গোচৰ ৰুজু কৰি এই বিস্ফোৰণৰ তদন্ত আৰম্ভ কৰিছে। দীপাৱলীৰ দিনা সংঘটিত এই ঘটনাই সমগ্ৰ দেশতে চাঞ্চল্যৰ সৃষ্টি কৰিছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# মিত্ৰতা ভংগ! কঠিন হৈছে বিহালীৰ যুদ্ধ

চিপিআইএমএলক এৰি নিদিয়াত কংগ্ৰেছক ধাৰাবাহিক আক্ৰমণ কৰি আহিছে। তেনে সময়তে বিহালী সমষ্টিৰ নেতৃত্বত থকা কংগ্ৰেছ নেতা তথা যোৰহাটৰ সাংসদ গৌৰৱ গগৈয়ে তাৎপৰ্যপূৰ্ণ মন্তব্য প্ৰদান কৰিছে। গৌৰৱ গগৈয়ে মিত্ৰতা নথকাৰ বাবে নিৰ্বাচনী অংকত কিছু জটিলতা অহা বুলি উল্লেখ কৰিছে। আজি সাংবাদিকৰ মুখামুখি হৈ গৌৰৱ গগৈয়ে কয়ে যে মিত্ৰতা নথকাৰ কাৰণে, আমাৰ বাবে নিৰ্বাচন অকণমান জটিল হৈছে। সেইটো আমি মিছা কথা ক'ব নোৱাৰো। লগতে মিত্ৰতাক লৈ বুজাবুজি আছিল ক্ষন্তেক সময়ৰ বাবে শেষ হ'ল বুলি উল্লেখ কৰি গৌৰৱে কয় যে আমাৰ যি বুজাবুজি আছিল ক্ষন্তেক সময়ৰ বাবে শেষ হ'ল। সেয়া আমিও বিচৰা নাছিলো। এই কথা সকলোৱে জানে যে আমি ক্ষন্তেক সময়ৰ বাবেহে আমি আতৰত আছো। সকলোৱে আমি মিলি যাম। কেতিয়াবা বন্ধুসকলৰ মাজত ভুল বুজাবুজি হয়। এয়াও ভুল বুজাবুজি। পুনৰাই আমি সকলোৱে একগোট হম। সেই কথা আমি স্বীকাৰ কৰো। এই সমস্যা, জটিলতা আতৰ কৰিব লাগিব বুলি দোহাৰি গৌৰৱ পুনৰ কয় যে আমি এতিয়া আগবাঢ়ি গাছো। বিহালী সমষ্টিৰ ৰাইজে বিজেপিৰ পৰা পৰিত্ৰাণ বিচাৰে। যদিও জটিল নিৰ্বাচন আমি ৰাইজৰ প্ৰতি শ্ৰদ্ধা জনাই আমি সকলোৱে নিজৰ জান-প্ৰাণ লগাই আমি নিৰ্বাচনী যুঁজত বিজয়ী হ'বলৈ চেষ্টা কৰিম। উপ-নিৰ্বাচন অনুষ্ঠিত ৫ সমষ্টিৰ ভিতৰত এটা সমষ্টি বিচাৰিছিল বিৰোধী দলৰ আন আন দলসমূহে। কিন্তু কংগ্ৰেছে মিত্ৰতাৰ ধৰ্ম পৰিহাৰ কৰি বিহালী সমষ্টিত নিজাববীয়াকৈ প্ৰাৰ্থী ঘোষণা কৰিছিল। তাৰ পাছতে কংগ্ৰেছক অসমৰ পৰা আতৰ কৰি বিহালীত বিবেক দাসৰ পৰিৱৰ্তে চিপিআইএমএল দলে দিয়া নতুন প্ৰাৰ্থীগৰাকীক সমৰ্থন কৰাৰ কথা ঘোষণা কৰিছিল বাকী বিৰোধী দলসমূহে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# প্ৰতিবাদী যুৱকক হত্যা কৰি পুতি থোৱাৰ

জিলাখনত আদানিক ভূমি প্ৰদানৰ বিৰুদ্ধে গঢ়ি উঠা আন্দোলনক মষিমূৰ কৰাৰ চেষ্টা অব্যাহত ৰাখিছে। শেহতীয়াকৈ প্ৰাপ্ত খবৰ অনুযায়ী খোদ উত্তৰ কাছাৰ স্বায়ত্ব পৰিষদৰ কাৰ্যবাহী সদস্যই তিনি যুৱকক হত্যা আৰু পুতি থব খোজাৰ প্ৰয়াস কৰাৰ ভয়ংকৰ অভিযোগ উত্থাপন হৈছে। আদালতত গোচৰ চলি থকা ভূমিত পথ নিৰ্মাণ আৰু উদ্যোগ স্থাপন কৰাক লৈ প্ৰশ্ন কৰা তিনি থলুৱা যুৱকক হত্যা কৰি পুতি থব খোজাৰ ভয়ংকৰ অভিযোগ উত্থাপন কৰি এজাহাৰ দাখিল কৰিছে। ইমানে নহয় গাঁওবাসী তথা তিনি যুৱকক লক্ষ্য কৰি খোদ উত্তৰ কাছাৰ স্বায়ত্ব পৰিষদৰ কাৰ্যবাহী সদস্যই গুলীচালনা কৰাৰ অভিযোগ উঠিছে। বুধবাৰে দুপৰীয়া ডিমা হাচাও জিলাৰ উদ্যোগ নগৰী উমৰাংছু'ৰ লংকুক্ৰ গাঁৱত সংঘটিত হৈছে এই ঘটনা। বিজেপি নেতা তথা উত্তৰ কাছাৰ স্বায়ত্ব পৰিষদৰ কাৰ্যবাহী সদস্য মনজিৎ নাইডিঙৰ বিৰুদ্ধে এনে গুৰুতৰ অভিযোগ উত্থাপন হৈছে। ঘটনা সন্দৰ্ভত ইতিমধ্যে সবিশেষ বিৱৰি লংকুক্ৰ গাঁৱৰ তিনিগৰাকী যুৱকে বৃহস্পতিবাৰে হাফলং আৰক্ষী থানাত কাৰ্যবাহী মনজিৎ নাইডিঙৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰিছে। তিনিগৰাকী যুৱকৰ অভিযোগ অনুসৰি বুধবাৰে দুপৰীয়া প্ৰায় ২ বজাত উমৰাংছুৰ লংকুক্ৰ গাঁৱলৈ আহিছিল উত্তৰ কাছাৰ স্বায়ত্ব পৰিষদৰ কাৰ্যবাহী সদস্য মনজিৎ নাইডিং। গাঁৱত স্থাপিত জে.পি লক্ষ্মী চিমেণ্ট উদ্যোগ আৰু খনন কৰিবলগীয়া স্থান সংযোগী পথ নিৰ্মাণৰ আধৰশিলা স্থাপনৰ বাবে আহিছিল কাৰ্যবাহী সদস্য মনজিৎ নাইডিং। নাইডিং অহাৰ খবৰ পোৱাত তিনি যুৱকেও আধৰশিলা স্থাপনথলীলৈ গৈছিল। সেই সময়তে তিনি যুৱকক কাৰ্যবাহী সদস্য নাইডিঙে নিৰ্দেশত ইয়ালৈ আহিছা বুলি প্ৰশ্ন কৰি আক্ৰমণ কৰিবলৈ আৰম্ভ কৰি দিয়ে। পিএছঅ'ৰ বন্দুক হাতত লৈ মাৰধৰ কৰাৰ লগতে গুলী ফুটাই হত্যাৰ প্ৰয়াস কৰাৰ অভিযোগ উত্থাপন কৰিছে তিনি যুৱকে। হত্যা কৰি তিনি যুৱকক মাটিত গাত খান্দি পুতি থব খোজা বুলিও গুৰুতৰ অভিযোগ আনিছে তিনি যুৱকে। নাইডিঙে পিএছঅ'ৰ বন্দুক লৈ গুলীচালনা কৰি হত্যাৰ ভাবুকি দিয়া বুলিও জানিব পৰা গৈছে। উত্তৰ কাছাৰ পাৰ্বত্য স্বায়ত্ব পৰিষদৰ কাৰ্যবাহী মনজিৎ নাইডিং, বন বিভাগৰ ৰেঞ্জাৰ ধনমাই থাওচেন আৰু পিএছঅ' হিমন্ত থাওচেনে তিনি যুৱকক হত্যাৰ প্ৰয়াস কৰা পুতি থব খোজা বুলিও অভিযোগ উঠিছে। এমাহৰ ভিতৰত চিমেণ্ট উদ্যোগ স্থাপনৰ বাবে ভূমি এৰি নিদিলে অপহৰণ কৰি হত্যা কৰাৰ ভাবুকি দিয়ে। তিনি যুৱকে আৰু কয় যে বুধবাৰে যেতিয়া মনজিৎ নাইডিং গাঁৱত উপস্থিত হৈ পথ নিৰ্মাণৰ কাম আৰম্ভ কৰে আমি তাত উপস্থিতি হও। জানিব পৰা মতে, যি ঠাইত চিমেণ্ট উদ্যোগ স্থাপন কৰা হৈছে, সেই ভূমিক লৈ গুৱাহাটী উচ্চ ন্যায়ালয়ত এখন পিআইএল দাখিল কৰা হৈছে। পিআইএলক লৈ আদালতত এতিয়াও শুনানি অনুষ্ঠিত হোৱা নাই। তেনে অৱস্থাতে আদালতত বিচাৰাধীন ভূমিত পথ নিৰ্মাণ আৰু উদ্যোগ স্থাপনক লৈ প্ৰশ্ন কৰাত তিনি যুৱকক বৰ্বৰভাৱে প্ৰহাৰ কৰাৰ অভিযোগ উঠিছে। যুৱক তিনিজনে কয় যে আমাৰ বা আমাৰ পৰিয়ালৰ কোনো সদস্যৰ যদি কোনো ক্ষতি হয় তেন্তে দায়ী হ'ব কাৰ্যবাহী সদস্য মনজিৎ নাইডিং। উল্লেখ্য যে, বিগত কেবাদিনো ধৰি ডিমা হাছাওৰ একাধিক দল-সংগঠনে চৰকাৰে আদানিক ভূমি গতাই দিব খোজা কাৰ্যৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰি আহিছে। স্থানীয় ভুক্তভোগী ৰাইজেও ভয় নকৰি চৰকাৰ-প্ৰশাসনৰ এনে হঠকাৰী সিদ্ধান্তৰ বিৰুদ্ধে ধাৰাবাহিকভাৱে প্ৰতিবাদ জনাই আহিছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# ৰাণী নৰহক উত্তৰ ভূপেন বৰাৰ

ভূপেন বৰাৰ বিৰুদ্ধে কেইবাটাও গুৰুতৰ অভিযোগ উত্থাপন কৰিছিল। লখিমপুৰ সমষ্টিৰ টিকট কটাক লৈ ভূপেন বৰাক দোষাৰোপ কৰি ৰাণী নৰহে আওপকীয়াকৈ আক্ৰমণৰ লক্ষ্য কৰি লৈছিল ভূপেন বৰাক। আজি ৰাণী নৰহক প্ৰত্যুত্তৰ দিছে ভূপেন বৰাই। ভূপেন বৰাই মাৰ্জিত ভাষাৰে উত্তৰ দি কয় যে মই নিজেই চাৰিবাৰকৈ টিকট পোৱা নাই। মই কেতিয়াও টিভিত বকা নাই। মই কেতিয়াও কোৱা নাই যে অমুকে কাটিলে, তমুকে কাটিলে। মই বিহপুৰীয়াত টিকট নিবিচৰাকৈ টিকট পাইছিলো। মই, হিমন্ত বিশ্ব শৰ্মাই একেলগে টিকট বিচাৰিছিলো। তেখেত মন্ত্ৰী হোৱাৰ পাছতহে মই টিকট পাইছিলো। ৰাণী নৰহে মোৰ কথা কৈছে। কিন্তু ৰাণী নৰহ বাইদেউৰ কথাত মোৰ কোনো আক্ষেপ নাই। আনহাতে যুৱ কংগ্ৰেছৰ সভাপতি হৈ থকাৰ সময়তে টিকিট লাভ নকৰাৰ কথা উল্লেখ কৰি বৰাই কয় যে মই যেতিয়া অসম প্ৰদেশ যুৱ কংগ্ৰেছৰ সভাপতি, ৰাণী নৰহ মোৰ লগত উপ-সভাপতি। মই টিকট নাপালো। কিন্তু উপ-সভাপতি এমপি হ'ল, কেন্দ্ৰীয় মন্ত্ৰী হ'ল। মই তেতিয়াও টিকট পোৱা নাই। মই তেতিয়াও ক'তো আক্ষেপ কৰা নাই। মোৰ ওপৰত চাগে অগ্নিপৰীক্ষা চলি আছিলে। মই অগ্নিপৰীক্ষাৰ মাজেদি আহি প্ৰদেশ কংগ্ৰেছৰ সভাপতি হৈছো। মই যুথ কংগ্ৰেছৰ সভাপতি থাকোতে এবাৰ মই টিকট বিচাৰোতে এছ.আৰ চুব্বাই টিকট পাইছে। এবাৰ টিকট বিচাৰোতে মণ্ডল সভাপতিয়ে টিকট পাইছে। মই দলত ডিচিপ্লিন ভংগ কৰা নাই। আজিলৈ শ্ব'কজ পোৱা নাই। মই বিধায়ক হৈ থাকোতে ৰাহুল গান্ধীয়ে সুধিছিল আপুনি সংসদীয় সচিব হ'ব নে দলৰ কেন্দ্ৰীয় সচিব হ'ব। তেতিয়া মই কৈছিলো আপুনি ডিচিছন লওক। সময় আহিছে, সময়ে বহু কথা ক'ব। কিন্তু এনে কথা নহয় যে মই কথা নক'ম। মই উপযুক্ত স্থানত, উপযুক্ত সময়ত কম বুলিও কয় ভূপেন বৰাই। আনহাতে বিহালী সমষ্টিক লৈ ভূপেন বৰাই কয় যে সাংবাদিকে নিজেই কৈছিল যে কংগ্ৰেছে বিহালী সমষ্টিত আত্মসমৰ্পণ কৰিবলৈ ওলাইছে। কাকতত কলম ওলাইছিল। এতিয়া আকৌ সাংবাদিকে কৈছে যে মিত্ৰতা কংগ্ৰেছে ভাঙিছে। লগতে গৌৰৱ গগৈৰ প্ৰসংগ উল্লেখ কৰি ভূপেন বৰাই কয় যে গৌৰৱ গগৈ আৰু মোক কেন্দ্ৰীয় নেতৃত্বই এটা সন্মানজনক স্থান দিছে। কেন্দ্ৰীয় নেতৃত্বই গৌৰৱ গগৈ আৰু মোক সন্মানজনক পদ দিছে। ত্ৰিশ বছৰীয়া ৰাজনীতিৰ কেৰিয়াৰত কেতিয়া যদি কিবা ক'বলগীয়া হয় তেন্তে দলৰ মজিয়াত কও বুলিও কয় ভূপেন বৰাই। এনেদৰে এতিয়া অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি আৰু প্ৰাক্তন সাংসদ নৰহৰ মাজত দেখা গৈছে সংঘাত।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# নিথৰ দেহ টানি নিয়া কাণ্ডৰ তদন্ত

গুৱাহাটী বিশ্ববিদ্যালয়ৰ ছাত্ৰী আৰু ছাত্ৰীগৰাকীৰ পিতৃৰ নিথৰ দেহ প্লাষ্টিকত বান্ধি চোচোৰাই নিয়াৰ ঘটনা ৰাজহুৱা হোৱাত অসমৰ ৰাইজে তীব্ৰ সমালোচনা কৰে অসম আৰক্ষীক। এনে কাণ্ডই অসমৰ আৰক্ষীৰ অমানৱীয় দিশ প্ৰকট কৰিছে বুলি অভিযোগ উত্থাপিত হৈছে। ফলত অসম আৰক্ষীৰ উচ্চস্তৰীয় কৰ্তৃপক্ষই দৰং জিলাৰ ছিপাঝাৰত সংঘটিত এই ঘটনাক গুৰুত্ব সহকাৰে লৈ তদন্ত ঘোষণা কৰিবলৈ বাধ্য হয়। উল্লেখ্য যে, ১৫নং ৰাষ্ট্ৰীয় ঘাইপথৰ ছিপাঝাৰৰ বৰদৌলগুৰিৰ শাকতোলাত সংঘটিত কৰুণ পথ দুৰ্ঘটনাত প্ৰাণ হেৰুৱাইছিল মথুৰা নাথ ডেকা আৰু তেওঁৰ গুৱাহাটী বিশ্ববিদ্যালয়ত অধ্যয়নৰত কন্যা নন্দিতা ডেকাই। মথুৰা ডেকাৰ ঘৰ কামৰূপ-দৰং সীমান্তৰ হালধাত যদিও মঙলদৈৰ বাসৰ নগৰত ঘৰ সাজি থাকিবলৈ আৰম্ভ কৰিছিল। ১৫ নং ৰাষ্ট্ৰীয় ঘাইপথত স্কুটীৰে গৃহ অভিমুখে গৈ থকা অৱস্থাত পিতৃ-কন্যা দুৰ্ঘটনাত পতিত হয়। পথত স্কুটীসহ পিতৃ-কন্যা বহু দূৰলৈ চোচৰি যায় আৰু অত্যাধিক ৰক্তক্ষৰণ হোৱাত থিতাতে নিহত হয়। ঘটনাস্থলীত আৰক্ষী উপস্থিত হৈ মৃতদেহ নিয়াৰ ব্যৱস্থা কৰে। আৰক্ষীয়ে ক'লা পৰিথিনত মেৰিয়াই দুয়োটা মৃতদেহ। তাৰ পাছতে পলিথিনৰ দুয়ো মূৰত বান্ধি এটা মূৰত ধৰি আৰক্ষীয়ে মৃতদেহ চোচোৰাই লৈ যায়। পথ দুৰ্ঘটনাত প্ৰাণ হেৰুওৱা মথুৰা ডেকা খোদ এগৰাকী আৰক্ষীৰ লোক আছিল। অসম আৰক্ষীত ৬০ বছৰ বয়সলৈ সেৱা আগবঢ়াইছিল। তাৰ পিছতো নিজ বিভাগৰ এগৰাকী লোকৰ মৃতদেহ কঢ়িয়াবলৈ কোনো প্ৰয়োজনীয় ব্যৱস্থা কৰা নহ'ল। ক'লা পলিথিনত বান্ধি মৃতদেহ টানি নিয়া সেই অমানৱীয় দৃশ্য সাংবাদিকৰ কেমেৰাত বন্দী হয়। এই খবৰ সংবাদমাধ্যমত প্ৰকাশ পোৱাত ৰাজ্যজুৰি তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। তাৰ পাছতে অসম আৰক্ষীৰ তৰফৰ পৰা প্ৰতিক্ৰিয়া আহে। অসম আৰক্ষীৰ সঞ্চালক প্ৰধান জি.পি সিঙে এই ঘটনাৰ তদন্ত ঘোষণা কৰিছে। সিঙে এক্সযোগে (টুইট) কয় যে দৰঙৰ ছিপাঝাৰৰ পথ দুৰ্ঘটনাক লৈ অনুসন্ধানৰ নিৰ্দেশ দিয়া হৈছে। পলিথিনত শৰীৰ মেৰিয়াই চোচোৰাই নিয়াৰ ঘটনাক পশুৰ দৰে আচৰণ বুলি অভিযোগ উঠিছিল। সকলোৱে ধিক্কাৰ দিয়াত তদন্তৰ নিৰ্দেশ দিয়ে আৰক্ষী সঞ্চালক প্ৰধান জি.পি সিঙে। আজি পুৱাৰ ভাগত মথুৰা নাথ ডেকা আৰু নন্দিতা ডেকাৰ মৃতদেহ মৰণোত্তৰ পৰীক্ষা কৰা হয়। পৰিয়ালে মৃতদেহ চমজি লৈ হালধাৰ বনগাঁওস্থিত গৃহত শেষকৃত্য সম্পন্ন কৰা হয়। পিতৃ মথুৰা ডেকা অসম আৰক্ষীৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী আৰু কন্যা নন্দিতা ডেকা গুৱাহাটী বিশ্ববিদ্যালয়ৰ ইংৰাজী বিভাগৰ প্ৰথম যাণ্মাসিকৰ ছাত্ৰী আছিল। পিতৃ-কন্যাই অনাকাংক্ষিত পথ দুৰ্ঘটনাত প্ৰাণ হেৰুওৱাত শোকাকুল পৰিৱেশৰ সৃষ্টি হৈছে দৰং জিলাত।

### ■ জন্মস্থান বনগাঁৱত শেষকৃত্য সম্পন্ন

**ই-সংবাদ, ছিপাঝাৰ, ৩১ অক্টোবৰঃ** বুধবাৰে গুৱাহাটী বিশ্ববিদ্যালয়ত অধ্যয়নৰত কন্যাক দীপাৱলীৰ বন্ধ উপলক্ষে মঙলদৈৰ গৃহলৈ স্কুটীৰে আনি থকা অৱস্থাত শাকতোলা নৈৰ দলঙৰ সমীপত দুৰ্ঘটনাত পতিত হৈ পিতৃ-কন্যা দুয়ো কৰুণ মৃত্যুক সাবটি লোৱা চাঞ্চল্যকৰ ঘটনাই সমগ্ৰ জিলাখনকে জোকাৰি যোৱাৰ সমান্তৰালভাৱে আজি দুয়োৰে মৃতদেহ গৃহ গাঁওলৈ আহি পোৱাৰ পিছতে গাঁওখনত এক শোকাকুল পৰিৱেশৰ সৃষ্টি হয়। দীপাৱলীৰ আনন্দৰ সলনি গোমা পৰিৱেশ বিৰাজ কৰে দৰং-কামৰূপ সীমান্তৱৰ্তী বনগাঁৱত। উল্লেখ্য যে, বনগাঁৱৰ স্থায়ী বাসিন্দা মথুৰা ডেকাই কৰ্মসূত্ৰে মঙলদৈ ব্লক চ'কৰ বাসৰ নগৰত থাকিবলৈ লৈছিল। অসম আৰক্ষীৰ বিশেষ শাখাৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী মথুৰা ডেকাৰ জ্যেষ্ঠা কন্যা নন্দিতা ডেকা গুৱাহাটী বিশ্ব বিদ্যালয়ৰ ছাত্ৰী। দীপাৱলীৰ বন্ধ উপলক্ষে নিজ কন্যাক বিশ্ব বিদ্যালয়ৰ পৰা আনি থাকোঁতেই ঘৰ পাবলৈ মাথোঁ ৬ কিলোমিটাৰ বাকী থকা অৱস্থাত বিপৰীত দিশৰ পৰা অহা গাড়ীৰ হেড লাইটৰ তীব্ৰ পোহৰত একো নেদেখা হৈ এখন ৰৈ থকা ট্ৰাকত খুন্দা মাৰে আৰু দুয়ো বাগৰি পৰে। লগে লগে মঙলদৈ অভিমুখী এখন বালি কঢ়িওৱা ডাম্পাৰে দুয়োকে মহতিয়াই লৈ যায়। মঙলদৈত আজি দুয়োৰে মৃতদেহৰ মৰণোত্তৰ পৰীক্ষাৰ অন্তত গৃহগাঁও বনগাঁওলৈ শেষকৃত্যৰ বাবে অনা হয়। পিতৃ-কন্যা দুয়োৰে মৃতদেহ আহি পোৱাৰ পিছতে সমগ্ৰ গাঁওখনত কান্দোনৰ ৰোল উঠে। ইপিনে, দুৰ্ঘটনা সংঘটিত হোৱাৰ পিছত দুয়োৰে মৃতদেহ দুটাৰ প্ৰতি সামান্যতমো সৌজন্য প্ৰকাশ নকৰি চোঁচৰাই নিয়াৰ ভিডিঅ' ভাইৰেল হোৱাৰ পিছতে মঙলদৈ আৰক্ষীৰ বিৰুদ্ধে ছ'চিয়েল মিডিয়াত তীব্ৰ ক্ষোভ উজাৰিছে ৰাইজে। একালৰ সতীৰ্থ এগৰাকীৰ মৃতদেহক সামান্যমো সন্মান প্ৰদৰ্শন নকৰা আৰক্ষীৰ বিৰুদ্ধে শাস্তিমূলক ব্যৱস্থা লোৱাৰ দাবী জনাইছে ক্ষুব্ধ লোকসকলে। আজি সমগ্ৰ দেশে দীপাৱলীৰ আনন্দ উছাহত উটি যোৱাৰ লগতে আতচবাজী ফুটাই মতলীয়া হৈ থকাৰ বিপৰীতে আজি বনগাঁৱত বিৰাজ কৰিছে মৰিশালিৰ নিস্তব্ধতা। দীপাৱলীৰ পোহৰে উজলাই তুলিব লগা গাঁওখনত একেলগে জ্বলা দুখন চিতাৰ জুয়ে দহি গৈছে গাঁওবাসীক।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# গছ ৰক্ষা আন্দোলনক সমৰ্থন বিজেপিৰ

সিদ্ধান্তৰ বিৰুদ্ধে গুৱাহাটীৰ নাগৰিকে প্ৰতিবাদ অব্যাহত ৰাখিছে। ৰাইজে কৰা প্ৰতিবাদে বিজেপিৰ নেতাৰ পৰাও সমৰ্থন লাভ কৰিছে। বিজেপি দলৰ ভিতৰৰ পৰাও গছ নাকাটিবলৈ মাত মতা দেখা গৈছে। বিজেপিৰ দুই বিধায়কে সৰৱ ভূমিকা পালন কৰা দেখা গৈছে। খমুটাইৰ বিধায়ক মৃণাল শইকীয়া আৰু দিছপুৰৰ বিধায়ক অতুল বৰাই প্ৰতিক্ৰিয়া প্ৰকাশ কৰি গছ নাকাটিবলৈ আহ্বান জনাই ৰাইজৰ প্ৰতিবাদক সমৰ্থন জনাইছে। বিধায়ক মৃণাল শইকীয়াই সামাজিক মাধ্যমত এটা পোষ্ট দি কয় যে গছ কটা শুদ্ধ নে ভুল মই নাজানো। গাঁৱত এজোপা গছ কাটিলে আন এজোপা গছ থিয় হৈ উঠে। কিন্তু নগৰত এজোপা গছ কাটিলে আন এজোপা কেতিয়াও থিয় হৈ নুঠে। মৃণাল শইকীয়াই আৰু কয় যে মই সুখী গছ কটাৰ বিৰোধিতাৰে মহানগৰৰ একাংশ সচেতন লোক ওলাই আহিছে। আনহাতে বিধায়ক অতুল বৰাই কয় যে গছ কটাটো মই কেতিয়াও নিবিচাৰো। গছ কটা সিদ্ধান্তৰ বিৰুদ্ধে ৰাইজ ওলাই আহিছে। এয়া ভাল কথা। চৰকাৰে ৰাইজৰ দাবী মানি ল'বলৈ চেষ্টা কৰিছে। মই যৌৱনৰ বেছিখিনি সময় দীঘলীপুখুৰী পাৰতে পাৰ কৰিছো বুলিও কয় বৰাই। উৰ্বণীয়া সেঁতু নিৰ্মাণৰ নামত দীঘলীপুখুৰীৰ পাৰৰ গছ নাকাটিবলৈ গুৱাহাটীবাসীয়ে প্ৰতিবাদ কৰি থকাৰ সময়তে সামাজিক মাধ্যমযোগে এনেদৰে প্ৰতিক্ৰিয়া ব্যক্ত কৰিছে বিধায়ক মৃণাল শইকীয়া আৰু অতুল বৰাই। উল্লেখ্য যে বিজেপিৰ এই দুয়োগৰাকী বিধায়কে সততে মুখ্যমন্ত্ৰী হিমন্তৰ বিৰুদ্ধে সৰৱ ভূমিকা পালন কৰি অহা দেখা গৈছে। দিনদিয়েক পূৰ্বে মৃণাল শইকীয়াই মুকলিকৈ হিমন্তৰ ঘনিষ্ঠ মন্ত্ৰীক প্ৰত্যাহ্বান জনাইছিল।

# মৰিগাঁৱত বিদ্যুৎস্পৃষ্ট হৈ সৰবৰহী যুৱক ছাদিকুলৰ অকাল মৃত্যু

**ই-সংবাদ, মৰিগাঁও, ৩১ অক্টোবৰঃ** মৰিগাঁৱৰ দলবাৰীত আজি দুপৰীয়াৰ ভাগত বিদ্যুৎস্পৃষ্ট হৈ ছাদিকুল ইছলাম নামৰ এজন সৰবৰহী যুৱকৰ অকাল মৃত্যু ঘটে। এই ঘটনাই বৃহত্তৰ অঞ্চলটোত গভীৰ শোকৰ ছাঁ পেলায়। প্ৰাপ্ত তথ্য মতে, যুৱকজনে দুপৰীয়া ১২ মান বজাত নিজৰ খেতিডৰাত পানী দিবলৈ যাওঁতে ইলেক্ট্ৰিক মটৰ সংযোগী বিদ্যুতৰ তাঁৰত লাগি যুৱকজন পথাৰত চিটিকি পৰে। এই ঘটনাটোৰ পিছতে পৰিয়ালৰ লোকে যুৱকজনক ততাতৈয়াকৈ মৰিগাঁৱৰ এখন ব্যক্তিগত চিকিৎসালয়ত ভৰ্তি কৰে যদিও চিকিৎসাধীন অৱস্থাতে যুৱকজনে মৃত্যুক আঁকোৱালি লয়। মৰিগাঁৱৰ শান্তি টি ভি এছ প্ৰতিষ্ঠানৰ এজন সক্ৰিয় কৰ্মকৰ্তা, মৰিগাঁও জিলা আমছুৰ প্ৰাক্তন সম্পাদক তথা সাংবাদিক মনোৱাৰ হুছৈইনৰ ভাতৃ ছাদিকুল ইছলামৰ মৃতদেহ মৰিগাঁও অসামৰিক চিকিৎসালয়ত মৰোণোত্তৰ পৰীক্ষা সম্পন্ন হোৱাৰ পাছত নিশা দলবাৰী ৰাজহুৱা কবৰস্থানত শেষকৃত্য সম্পন্ন কৰে। দীপাৱলীৰ আনন্দ-উছাহৰ মাদতে ছাদিকুলৰ অকাল মৃত্যুত মৰিগাঁও জিলা সাংবাদিক সংস্থা, মৰিগাঁও সাংবাদিক সমাজকে ধৰি বহু অনুষ্ঠানে গভীৰ শোক প্ৰকাশ কৰিছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# সাহিত্যৰথীৰ প্ৰতিমূৰ্তিৰ স্থানান্তৰ মানি

সমিতিয়ে ফ্লাইঅভাৰ নিৰ্মাণৰ নামত গুৱা হাটী ক্লাৱত থকা সাহিত্যৰথীৰ প্ৰতিমূৰ্তি কোনো সামান্য স্থানলৈ স্থানান্তৰ কৰিবলৈ চৰকাৰে গ্ৰহণ কৰা সিদ্ধান্তৰ তীব্ৰ প্ৰতিবাদ জনায়। এক বিবৃতিত সমিতিয়ে কয় যে আধুনিক কালত অসমীয়া জাতি আৰু সাহিত্যৰ অগ্ৰগতিত লক্ষ্মীনাথ বেজবৰুৱা দেৱৰ অৱদান অতুলনীয় আৰু অপৰিমেয়। সেয়ে তেখেতৰ প্ৰতি অসমৰ যুগমীয়া কৃতজ্ঞতা আৰু শ্ৰদ্ধাৰ চিন স্বৰূপে গুৱাহাটী ক্লাৱত পথ চক্ৰত তেখেতৰ প্ৰতিমূৰ্তি স্থাপন হৈছিল যাতে দূৰদূৰণিৰ পৰা অহা মানুহৰ চকুত সি জিলিকি থাকে। আচৰিত কথা যে ফ্লাইঅভাৰৰ বাটত হেঙাৰ লাগিব বুলি চৰকাৰে মূৰ্তিটো অপমান কৰি কোনো এক বিদ্যালয়ৰ প্ৰাংগণত স্থাপন কৰাৰ সিদ্ধান্ত লৈছে। ফলত ৰাইজৰ আৰাধ্য পুৰুষ এজনৰ প্ৰতিকৃতিক এখন বিদ্যালয়ৰ প্ৰতিস্থাপকৰ শাৰীলৈ অৱনতি কৰা হ'ল। ই কেৱল এজন ব্যক্তিৰ প্ৰতি নহয়, সমগ্ৰ অসমীয়া জাতিৰ স্বাভিমান ক্ষমতাৰ ক্ষমতাৰ গৰ্বৰে ভৰিৰে গচকি পেলোৱাৰ নিদৰ্শন। অসমৰ ঐতিহ্য আৰু ইতিহাসৰ প্ৰতি এই বিশেষ শাসক দল তথা চৰকাৰৰ মুৰব্বীবিলাকৰ প্ৰকৃত মনোভাৱ কেনেকুৱা ই প্ৰমাণ কৰে। বিহু, ৰাস উৎসৱ, নামঘৰ, মন্দিৰত টকা ঢালি দেশৰ প্ৰতি বিশ্বাসঘাতকতা আৰু চক্ৰান্ত ঢাকিব নোৱাৰে। আমি উক্ত সিদ্ধান্তক কঠোৰ ভাষাৰে গৰিহণা দিও। আৰু চৰকাৰক জনাই দিও যে গুৱাহাটী মহানগৰীৰ নাগৰিকসকল ফ্লাইঅভাৰ নিৰ্মাণ বেজবৰুৱাৰ প্ৰতি সন্মান প্ৰদৰ্শনত প্ৰতিবদ্ধকতা কৰা কোনো মতেই গ্ৰহণ নকৰে। চৰকাৰে শীঘ্ৰে এই জাতিধ্বংসী সিদ্ধান্ত বাতিল কৰক। নতুবা পৰৱৰ্তী কালত অধিক প্ৰবল প্ৰতিবাদী কাৰ্যসূচীৰ বাবে সাজু থাকক। সংবাদমেলত সমিতিয়ে ভিত্তিবৰ্ষ সন্দৰ্ভত সৰ্বোচ্চ ন্যায়ালয়ে প্ৰদান কৰা ৰায়ক লৈয়ো মন্তব্য কৰে।
বিবৃতিটোত এই সম্পৰ্কে প্ৰস্তাৱ গ্ৰহণৰ কথা উল্লেখ কৰি কয় যে ইতিমধ্যে ভাৰতৰ উচ্চতম ন্যায়ালয়ৰ এখন সাংবিধানিক বিচাৰপীঠৰ জড়িয়তে এই কথা নিশ্চিত কৰি দিছে যে অসমৰ ক্ষেত্ৰত নাগৰিকত্বৰ নিৰ্ণায়ক বছৰ হ'ব ১৯৭১ চন। যিহেতু বিদেশীৰ অবাধ প্ৰব্ৰজনৰ পৰা অসম আৰু অসমীয়াক ৰক্ষা কৰিবলৈ আৰু লগতে এক জটিল পৰিস্থিতিৰ জঁট গুচাবলৈ অসম আন্দোলনৰ সামৰণি ঘটোৱা হৈছিল অসম চুক্তিৰে আৰু তাতেই উল্লেখ আছিল ১৯৭১ চনত কাট অফ ইয়াৰ বা অসমৰ বাবে নাগৰিকত্বৰ নিৰ্ণায়ক বৰ্ষৰূপে নিৰ্ধাৰণ কৰা হৈছিল। কিছু বাদ-প্ৰতিবাদ হলেও এয়াই সকলো পিনৰ পৰা উপযুক্ত আৰু গ্ৰহণযোগ্য বুলি বিবেচিত হৈছিল। সেয়ে ১৯৭১ চনৰ ভিত্তিবৰ্ষ হিচাপে লৈ পাঁচ হাজাৰ চৰকাৰী কৰ্মচাৰী আৰু প্ৰায় ১৬০৩ কোটি টকা খৰচ কৰি ২০২১ চনৰ আগষ্ট মাহত তিনিবছৰৰ অবিৰত প্ৰচেষ্টাৰ মূৰত অসমত ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীৰ কাম সমাপ্ত কৰা হৈছিল। উচ্চতম ন্যায়ালয়ক তত্বাৱধনাত হোৱা আৰু চৰকাৰী আৰু বিত্ত কৰ্মসম্পাদনেৰে সম্পন্ন কৰা এই পঞ্জীখন ভাৰতৰ মহাপঞ্জীয়কৰ হাতত অৰ্পণ কৰা হৈছিল। কিন্তু ইয়াৰ কেইবছৰৰ পাছতো চৰকাৰী বিজ্ঞপ্তি জাৰি কৰি মহাপঞ্জীয়কৰ এইখনৰ বৈধতা ঘোষণা নকৰাটো ৰহস্য আৰু উদ্বেগৰ বিষয়। সন্দেহৰ থল আছে যে নিকৃষ্ট দলীয় ৰাজনীতিৰ স্বাৰ্থত বিশেষকৈ 'কা আইন' কনৰ জড়িয়তে নাগৰিকত্ব দিয়া বিদেশীসকলক সুৰক্ষা দিবলৈকে এই এই অতি জৰুৰী আৰু ন্যায়সংগত কৰ্তব্য সম্পাদন কৰা হোৱা নাই। আজিৰ সভাই বিষয়টো ভাৰতৰ মুখ্য ন্যায়াধীশ আৰু ৰাষ্ট্ৰপতিৰ দৃষ্টিগোচৰ কৰিবলৈ প্ৰস্তাৱ গ্ৰহণ কৰে যাতে শীঘ্ৰে এই দলিলখন বৈধতা চূড়ান্তভাৱে সাব্যস্ত হয়। ভূমিহীনৰ সংস্থাপন সন্দৰ্ভতো সমিতিয়ে এক প্ৰস্তাৱ গ্ৰহণ কৰাৰ কথা সদৰী কৰে। সমিতিয়ে কয় যে, অসমত প্ৰায় ছয়লাখ পৰিয়াল ভূমিহীন। ভূমিহীন মানুহৰ সংখ্যা প্ৰায় ৩০ লাখ। তেওঁলোকক সংস্থাপন দিয়া, মাটি দিয়া, ভূমি থকাখিনিক ভূমিস্বত্ব দিয়া এনেধৰণৰ জনহিতকৰ কামত মনোযোগ নিদি অতি উগ্ৰ আৰু হিংস্ৰ উপায়েৰে ত্ৰিশ চল্লিশ বছৰ বহি থকা পৰিয়ালক উচ্ছেদ কৰা এনে কামতহে চৰকাৰে উৎসাহ বেছি যেন লাগিছে। থলুৱাৰ দুৰ্দশা আৰু ঘঁৰিয়ালৰ চকুলো টোকা চৰকাৰে বাহিৰৰ লাভখোৰ ব্যৱসায়ীক হেজাৰ-বিজাৰ বিঘা মাটি গতাই দিবলৈ ওলাইছে। লগতে বাংলাদেশী হিন্দুক মাটি দিয়াৰ এক অবাঞ্চিত সিদ্ধান্ত গ্ৰহণ কৰিছে। বোধ হয় 'কা' আইনৰ জড়িয়তে নাগৰিকত্ব লাভ কৰা সকলক উৎসাহ দিবলৈ। এই সিদ্ধান্ত জাতি বিৰোধী আৰু বিভেদমূলক আৰু চক্ৰান্ত বুলি আজিৰ সভাই তীব্ৰ নিন্দা কৰে আৰু তেনে কাৰ্যৰ পৰা আতৰি থাকিবলৈ সমন্বয় সমিতিয়ে চৰকাৰক সতৰ্ক কৰি দিয়ে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# এটা বেয়া খবৰ

এই মাৰাত্মক ৰোগ ধৰাৰ পিছতে স্বাস্থ্য বিভাগে সংক্ৰমণৰ আঁত বিচাৰি গোপনে এক অনুসন্ধান চলায়। ইয়াৰ পিছতে পোহৰলৈ আহে এক ভয়ংকৰ কাণ্ড। গাঁওখনৰ সকলো এইডছ সংক্ৰমণৰ মূলতে আছিল এগৰাকী ১৭ বছৰীয়া কিশোৰী। স্বাস্থ্য বিভাগে সদৰী কৰা মতে, ড্ৰাগছ আসক্ত সেই কিশোৰীগৰাকীৰ সৈতে যৌন সম্পৰ্ক কৰাৰ বাবেই এইচ আই ভিত আক্ৰান্ত হয় গাঁওখনৰ ১৯ জনতকৈ অধিক যুৱক। এই চাঞ্চল্যকৰ ঘটনা উত্তৰাখণ্ডৰ নাইনিতাল জিলাৰ ৰামনগৰ গাঁৱৰ। নাইনিতালৰ স্বাস্থ্য বিভাগে জানিবলৈ দিয়া মতে, ১৭ বছৰীয়া কিশোৰীগৰাকীয়ে ড্ৰাগছ কিনিবলৈ টকাৰ বাবে ধনৰ বিনিময়ত যুৱকসকলৰ সৈতে যৌন সম্পৰ্ক গঢ়ি তুলিছিল। ইয়াৰ পৰিণামস্বৰূপেই বিগত পাঁচ মাহত গাঁওখনৰ ১৯ জন যুৱক এইচ আই ভি ৰোগত আক্ৰান্ত হয়। নাইনিতালৰ মুখ্য চিকিৎসা বিষয়া হৰিশচন্দ্ৰ পন্থে কয়, "গড়ে প্ৰতি বছৰে জিলাখনত ২০টা এইচ আই ভি ৰোগী ধৰা পৰে। কিন্তু বিগত পাঁচ মাহত ১৯ জন নতুনকৈ এইচ আই ভিত আক্ৰান্ত হৈছে। যোৱা ১৭ মাহত ৪৫ জন লোক আক্ৰান্ত হৈছে। এইচ আই ভি সংক্ৰমণৰ সংখ্যা হঠাৎ বৃদ্ধি পোৱাটো যথেষ্ট চিন্তাৰ বিষয়। বিশেষকৈ যোৱা কেইবছৰমানৰ পৰিসংখ্যাৰ প্ৰতি লক্ষ্য ৰাখি এই বৃদ্ধি উদ্বেগজনক।" জানিব পৰা মতে, কিশোৰীগৰাকীৰ সৈতে যৌন সম্পৰ্ক স্থাপন কৰা যুৱক কেইজন হঠাতে অসুস্থ হৈ পৰিছিল। ইয়াৰ পিছতে তেওঁলোকক চিকিৎসালয়ত ভৰ্তি কৰা হয়। সেই সময়ত যেতিয়া এইচ আই ভি পৰীক্ষা কৰা হয়, তেতিয়া ৰিপ'ৰ্ট পজিটিভ আহে। ইফালে এইচ আই ভিত আক্ৰান্ত একাংশ বিবাহিত পুৰুষৰ সৈতে শাৰীৰিক সংস্পৰ্শৰ ফলত তেওঁলোকৰ পত্নীও এই ৰোগত সংক্ৰমিত ধৰা পৰিছে। ইয়াৰ পিছত জিলা স্বাস্থ্য বিভাগে পৰিস্থিতিৰ সৈতে মোকাবিলা কৰিবলৈ কেইবাটাও পদক্ষেপ গ্ৰহণ কৰিছে।
ভুক্তভোগীসকলৰ কাউন্সেলিংও আৰম্ভ হৈছে। নৈনিতালৰ মুখ্য চিকিৎসা বিষয়াই কয়, "আমি জৰুৰীকালীন ভিত্তিত ব্যৱস্থা গ্ৰহণ কৰিছো। কিশোৰীগৰাকীৰ ড্ৰাগছ আসক্তিয়েই এই দুৰ্ভাগ্যজনক পৰিস্থিতিৰ সৃষ্টি কৰিছে। ভুক্তভোগীসকলে গমেই পোৱা নাছিল যে এজনৰ পৰাই এই ভাইৰাছ তেওঁলোকৰ সকলোৰে শৰীৰত প্ৰৱেশ কৰিছে। আমি পৰামৰ্শ দিছো আৰু সকলো ধৰণৰ সহায় আগবঢ়াইছো।" এইচ আই ভি সংক্ৰমিত অঞ্চলৰ লগতে সমগ্ৰ জিলাখনতো সজাগতা সৃষ্টি কৰা হৈছে বুলি জানিবলৈ দিয়ে বিষয়াগৰাকীয়ে। ইফালে, এই খবৰ প্ৰকাশ পোৱাৰ পিছতে সমগ্ৰ উত্তৰাখণ্ডতে চাঞ্চল্যৰ সৃষ্টি হৈছে। আজিৰ তাৰিখতো যৌন সম্পৰ্কক লৈ একাংশ লোক সজাগ নোহোৱা বিষয়টো এই ঘটনাই স্পষ্ট কৰি তুলিছে বুলিও ভিন্নজনে মন্তব্য কৰিছে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।



পোহৰৰ উছৱ দীপান্বিতাত মাটিৰ চাকিৰে পদূলি পোহৰাই তোলা অৱস্থাত এনেদৰে দেখা গ'ল এগৰাকী যুৱতীক, লাহৰীঘাটত বৃহস্পতিবাৰে

# অস্বাস্থ্যকৰ পৰিৱেশত খাদ্য প্ৰস্তুত! খ্ৰীষ্টানবস্তিৰ কেৰী বেৰী, তনডুজিং ছীল

**ই-সংবাদ, ৩১ অক্টোবৰঃ** গুৱাহাটী মহানগৰীৰ বাসিন্দাই উৎসৱ বা আনা কোনো উপলক্ষত এসাজ খাবলৈ নিশা ওলাই যাব পাৰে। যদি ওলাই যায় তেন্তে সাৱধান! কিয়নো গুৱাহাটীৰ একাংশ ৰেষ্টুৰেণ্ট আৰু হোটেলে বিক্ৰী কৰি গৈছে জনস্বাস্থ্যৰ বাবে ক্ষতিকাৰক খাদ্য। ৰাজধানী গুৱাহাটীত বহু ৰেষ্টুৰেণ্ট, হোটেল আৰু ধাবাই জনস্বাস্থ্যৰ প্ৰতি ক্ষতিকাৰক খাদ্য বিক্ৰীৰ অভিযোগ নতুন নহয়। একাংশ বিলাসী হোটেলতো নিম্ন মানদণ্ডৰ খাদ্য বিক্ৰীৰ অভিযোগ আছে। ইমানে নহয়, অস্বাস্থ্যকৰ পৰিৱেশত খাদ্য তৈয়াৰ কৰা হয় বুলিও একাধিক হোটেল, ৰেষ্টুৰেণ্টৰ বিৰুদ্ধে সময়ে সময়ে অভিযোগ উত্থাপিত হৈ আহিছে। কিছুদিন পূৰ্বে পল্টনবজাৰত গুৱাহাটী পৌৰ নিগমে অভিযান চলাই এখন ৰেষ্টুৰেণ্ট বন্ধ কৰি দিছিল। তেনেই অভিযান পুনৰ চলিল বুধবাৰে নিশা। দীপাৱলীৰ আলোকময় পৰিৱেশত মতলীয়া হৈ থকাৰ সময়তে বুধবাৰে নিশা গুৱাহাটী পৌৰ নিগমৰ দলে খ্ৰীষ্টানবস্তিত অভিযান চলাই অস্বাস্থ্যকৰ পৰিৱেশত খাদ্য প্ৰস্তুত কৰি থকা খ্ৰীষ্টানবস্তিৰ দুখন ৰেষ্টুৰেণ্ট কেৰী বেৰী আৰু তনডুজিং ছীল কৰে। জানিব পৰা মতে, খাদ্য সুৰক্ষা বিষয়াসহ পৌৰ নিগমৰ এটা দলে খ্ৰীষ্টানবস্তিত উপস্থিত হৈ কেৰী বেৰী আৰু তনডুজিং ৰেষ্টুৰেণ্টত আকস্মিকভাৱে প্ৰৱেশ কৰে। তেনে সময়তে কাৰিকৰে খাদ্য প্ৰস্তুত কৰাত ব্যস্ত আছিল। কিন্তু মূৰত ব্যৱহৃত চেফটি কেপ, শৰীৰৰ সন্মুখত ভাগত ল'বলগীয়া বস্ত্ৰ এপ্ৰ'ন নিপিন্ধাৰ লগতে খাদ্য তৈয়াৰ কৰা ঠাইডোখৰ লেতেৰা অৱস্থাত আছিল। তৈয়াৰী খাদ্যত নাছিল কোনো ঢাকনিৰ ব্যৱস্থা। বাচন-বৰ্তন পৰিস্কাৰ নকৰাকৈ খাদ্য তৈয়াৰ কৰি থকা হৈছিল। এক অস্বাস্থ্যকৰ পৰিৱেশত খাদ্য তৈয়াৰ কৰা প্ৰত্যক্ষ কৰি লগে লগে ব্যৱস্থা গ্ৰহণ কৰে পৌৰ নিগমৰ দলে। দুয়োখন ৰেষ্টুৰেণ্ট বন্ধ কৰি দিয়ে। লেতেৰা আৰু অস্বাস্থ্যকৰ পৰিৱেশত খাদ্য প্ৰস্তুত কৰাত গুৱাহাটী পৌৰ নিগমে দুয়োখন ৰেষ্টুৰেণ্ট ছীল কৰি দিয়া কাৰ্যৰ শলাগ লৈছে মহানগৰবাসীয়ে। অচিৰেই এনেধৰণৰ আন হোটেল, ৰেষ্টুৰেণ্টসমূহতো আকস্মিক অভিযান চলাবলৈ দাবী জনাইছে মহানগৰীৰ স্বাস্থ্য সচেতন খাদ্য ৰসিকসকলে।

# জাগুনৰ অপহৃত গৌতম বসুমতাৰীক মুকলি কৰি দিবলৈ দাবী বিধায়ক অখিল গগৈৰ

**ই-সংবাদ, ৩১ অক্টোবৰঃ** আলফা স্বাধীনে অপহৰণৰ সন্দেহ কৰা জাগুনৰ চাহ মহৰী গৌতম বসুমতাৰীক মুকলি কৰি দিয়াৰ দাবী উত্থাপন কৰিছে শিৱসাগৰৰ বিধায়ক তথা ৰাইজৰ সভাপতি অখিল গগৈয়ে। নামনি অসমৰ সংখ্যালঘু এলেকাত প্ৰচাৰত ব্যস্ত অখিল গগৈয়ে সামাজিক মাধ্যম যোগে এই দাবী উত্থাপন কৰিছে। আজি সামাজিক মাধ্যমত এটা পোষ্ট দি বিদ্ৰোহী সংগঠনক মুকলি কৰি দিয়াৰ লগতে চৰকাৰক মুকলি কৰি অনাৰ ব্যৱস্থা কৰিবলৈ দাবী জনায়। অখিল গগৈয়ে কয় যে অসম-অৰুণাচল সীমান্তৱৰ্তী জাগুনৰ হিমালয়ান টি কোম্পানীত কৰ্মৰত গৌতম বসুমতাৰীক ২৩/১০/২০২৪ তাৰিখে নিশা ১০ মান বজাত কোনো বিদ্ৰোহী সংগঠনে অপহৰণ কৰি নিয়া বুলি পৰিয়ালৰ লোকে সন্দেহ কৰিছে। যুৱকজনক মুক্তিৰ যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ চৰকাৰক দাবী জনোৱাৰ লগতে সংশ্লিষ্ট বিদ্ৰোহী সংগঠনে গৌতম বসুমতাৰীক ঘৰলৈ সু-শৰীৰে পঠোৱাৰ ব্যৱস্থা কৰাৰ আহ্বান জনালো। উল্লেখ্য যে, উজনি অসমত চাহ উদ্যোগ আৰু অএনজিচিৰ বিষয়াক বাৰে বাৰে অপহৰণ কৰিবলৈ প্ৰয়াস কৰি গৈছে আলফা স্বাধীনে। ইতিমধ্যে শিৱসাগৰৰ অএনজিচিৰ ৫ অনা-অসমীয়া বিষয়াৰ পৰিকল্পিত অপহৰণৰ প্ৰয়াস কৰা ঘটনাৰ সৈতে জড়িত কেইবাগৰাকী লোকক গ্ৰেপ্তাৰ কৰিছে অসম আৰক্ষীয়ে। সেই সময়তে ২৪ অক্টোবৰত তিনিচুকীয়া জিলাৰ জাগুনস্থিত হিমালয়ান টি কোম্পানীত কৰ্মৰত গৌতম বসুমতাৰী অপহৰণৰ বলি হৈছিল বুলি উল্লেখ কৰিছিল পৰিয়ালে। অপহৰণকাণ্ডত আলফা স্বাধীন জড়িত থকাৰ অভিযোগ উঠিছে যদিও আলফা স্বাধীন আৰু অসম আৰক্ষীয়ে স্পষ্টিকৰণ দিয়া নাই। জানিব পৰা মতে, জাগুনৰ ব্যৱসায়ী ৰাধা চেতিয়াৰ চাহ ফেক্টৰীৰ মহৰী আছিল গৌতম বসুমতাৰী। নিশা প্ৰায় ১০ বজাত সামৰিক পোছাক পৰিধান কৰি অহা এটা অস্ত্ৰধাৰী দলে ফেক্টৰীত প্ৰৱেশ কৰি প্ৰথমে কৰ্মচাৰীৰ মোবাইলসমূহ কাঢ়ি লয়। উদ্যোগত থকা কৰ্মচাৰীক এঠাইত সমৱেত কৰি পৰিচালকক বিচাৰিবলৈ আৰম্ভ কৰে। উদ্যোগৰ এটা এলেকাত মহৰী গৌতম বসুমতাৰী আৰু পৰিচালকজন নিদ্ৰাৰত অৱস্থাত আছিল। অস্ত্ৰধাৰী দলটোৱে ফেক্টৰীৰ পৰিচালক আৰু মহৰী গৌতম বসুমতাৰীক বিছনাৰ পৰা উঠাই লগত লৈ যায়। কিন্তু কিছু দূৰ যোৱাৰ পাছতে পূৰ্বৰে পৰা অসুস্থ ফেক্টৰীৰ পৰিচালকক এৰি থৈ মহৰী গৌতম বসুমতাৰীক লগত লৈ যায়। এই ঘটনা সংঘটিত হোৱাত তিনিচুকীয়া জিলাত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হয়। নিশাই আৰক্ষীক খবৰ দিয়াত বৃহৎ আৰক্ষীৰ দল উপস্থিত হয় যদিও তেতিয়ালৈ অস্ত্ৰধাৰী দলটোৱে উদ্যোগ এলেকা এৰি গৈছিল। তিনিচুকীয়া আৰক্ষীয়ে ফেক্টৰীৰ কৰ্মচাৰীক সোধা-পোছা কৰাৰ লগতে সমগ্ৰ এলেকাত অভিযান চলাই যদিও উদ্ধাৰ কৰিব নোৱাৰিলে গৌতম বসুমতাৰীক। কিন্তু ২৪ অক্টোবৰৰ পৰা আজিলৈ অসম আৰক্ষীয়ে গৌতম বসুমতাৰীৰ শুংসূত্ৰ উলিয়াব পৰা নাই। সীমান্তৱৰ্তী জিলাখনত অস্ত্ৰধাৰী দলে সামৰিক পোছাকত তহল দিয়া কাৰ্যত চিন্তিত জিলাবাসী। উল্লেখ্য যে, এই অঞ্চলটোত ইয়াৰ পূৰ্বেও এনেধৰণে আলফা স্বাধীনে কেবাজনো লোকক অপহৰণ কৰি নিছিল।

# দলগাঁৱত অবৈধ শিক্ষানুষ্ঠান বন্ধৰ নিৰ্দেশক লৈ হাহাকাৰ

**ই-সংবাদ, দলগাঁও, ৩১ অক্টোবৰঃ** দলগাঁৱত একাধিক ব্যক্তিগত খণ্ডৰ বিদ্যালয় বন্ধৰ ঘোষণাক লৈ অঞ্চলটোত হাহাকাৰৰ সৃষ্টি হৈছে। বিশেষকৈ বন্ধ ঘোষণা কৰা বিদ্যালয়, সংশ্লিষ্ট বিদ্যালয়সমূহৰ শিক্ষাৰ্থী আৰু অভিভাৱকসকলৰ মাজত হাহাকাৰ লাগিছে। ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে দলগাঁৱতো অবৈধ শিক্ষানুষ্ঠানৰ বিৰুদ্ধে শিক্ষা বিভাগে কঠোৰ পদক্ষেপ গ্ৰহণ কৰা পৰিলক্ষিত হৈছে। বিভাগীয় অনুমতি আৰু অনুজ্ঞাপত্ৰ নথকাকৈ কাঠফুলাৰ দৰে গঢ়ি উঠা এনে অবৈধ বিদ্যালয় বন্ধ কৰিবলৈ দলগাঁও প্ৰাথমিক শিক্ষা বিভাগে পৃথকে পৃথকে তিনিখনকৈ নিৰ্দেশনা জাৰি কৰিছে। ইফালে শিক্ষা বিভাগৰ নিৰ্দেশক কেন্দ্ৰ কৰি ইউ ডাইচ কোড আৰু অন্যান্য বিভাগীয় অনুমতি নথকা স্কুলৰ মাজত হাহাকাৰ লাগিছে। আমাৰ হাতত পৰা তথ্য অনুসৰি, দৰং জিলা আয়ুক্তৰ SSA/DA/TT/QSE/618 dated 09/08/2024 নং নিৰ্দেশমতে দলগাঁও প্ৰাথমিক শিক্ষা খণ্ডৰ অন্তৰ্গত ২ নং মাজগাঁৰৰ আবুল কালাম মডেল একাডেমী আৰু ৫ নং বৰুৱাঝাৰৰ ছানৰাইজ একাডেমী আৰু আল হায়াত একাডেমীয়ে বিভাগীয় নীতি উলংঘা কৰি বিদ্যালয় পৰিচালনা কৰাৰ বাবে তাৎক্ষণিকভাৱে চলিত বৰ্ষৰ নামভৰ্তি, আৰ্থিক লেনদেনৰ লগতে যাৱতীয় কাম-কাজ বন্ধ কৰিবলৈ নিৰ্দেশ জাৰি কৰিছে। উল্লেখ্য যে, দলগাঁও প্ৰাথমিক শিক্ষা খণ্ডৰ অন্তৰ্গত প্ৰতিটো মণ্ডল সমল কেন্দ্ৰতে একাধিক অবৈধ বিদ্যালয় আছে যদিও মাত্ৰ তিনিখন স্কুল বন্ধৰ জাননীয়ে অঞ্চলটোত প্ৰতিক্ৰিয়া সৃষ্টি হৈছে। উল্লেখ্য যে, শিক্ষা খণ্ডৰ অন্তৰ্গত কিমানখন অবৈধ শিক্ষানুষ্ঠান আছে আৰু কিমানখনৰ বিৰুদ্ধে বিদ্যালয় বন্ধৰ নিৰ্দেশ জাৰি কৰা হৈছে তাৰ সঠিক তথ্য জানিবলৈ বিচৰাত খণ্ড প্ৰাথমিক শিক্ষা বিষয়াগৰাকী সংখ্যা জনোৱাৰ পৰা বিৰত থাকে। বাতৰি যুগুত কৰাৰ সময়লৈ আমাৰ হাতত পৰা তথ্য অনুসৰি এলেকাটোত ৪০ খনকৈ অবৈধ বিদ্যালয় বিভাগীয় অনুমতি আৰু ইউ ডাইচ কোড নোহোৱাকৈ চলাই আছে যদিও অৱশিষ্ট অবৈধ শিক্ষানুষ্ঠানৰ বিৰুদ্ধে শিক্ষা বিভাগে কি স্থিতি গ্ৰহণ কৰে সেয়া লক্ষণীয় হ'ব। ইফালে, বিভাগীয় অনুমতি, ইউ ডাইচ কোড নথকা বিদ্যালয়ৰ বিৰুদ্ধে যাতে কোনো ব্যৱস্থা গ্ৰহণ নকৰে তাৰ বাবেও বিভাগীয় বিষয়া-কৰ্মচাৰীৰে গোপন বুজাবুজি কৰিবলৈ একাংশই তৎপৰতা চলোৱাৰ তথ্যও এটা নিৰ্ভৰযোগ্য সূত্ৰই জানিবলৈ দিছে। শিক্ষা বিভাগৰ এই জাননী কাৰ্কৰী হ'ব নে অকল জাননী দিয়ে দায় সামৰিব তাৰ প্ৰতিও দৃষ্টি ৰাখিছে সচেতন মহলে।

## ১,১১,৮০০ টকা জব্দ, ভাৰপ্ৰাপ্ত বিষয়া ঋতুপৰ্ণ বনিয়াৰ নেতৃত্বত অভিযান

# নিৰ্বাচনী বিধি উলংঘা, চামগুৰিত বৃহৎ পৰিমাণৰ ধন জব্দ

**ই-সংবাদ, পুৰণিগুদাম, ৩১ অক্টোবৰঃ** নগাঁও জিলাৰ চামগুৰি বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনক কেন্দ্ৰ কৰি আৰু নিৰ্বাচনী বিধি বলবৎ থকাৰ সময়তে আজি চামগুৰি আৰক্ষী থানাৰ আৰক্ষীৰ তৎপৰতাত জব্দ হ'ল বৃহৎ পৰিমাণৰ ধন। ঘটনা সন্দৰ্ভত জানিব পৰা মতে, নগাঁও জিলাৰ চামগুৰি আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া ঋতুপৰ্ণ বনিয়াৰ নেতৃত্বত চলা এক অভিযানত এখন বাহনৰ পৰা আজি নিৰ্বাচনী বিধি উলংঘা কৰি কঢ়িয়াই অনা ১,১১,৮০০ টকা জব্দ কৰা হয়। উক্ত বৃহৎ পৰিমানৰ ধন ৰাশি এ এছ-০১ জি বি-২৬৬৩ নম্বৰৰ এখন গাড়ীত কঢ়িয়াই আনিছিল বুলি আৰক্ষীৰ এক সূত্ৰই জানিবলৈ দিয়ে। উল্লেখ্য যে, নিৰ্বাচনৰ সময়ত এনেদৰে বৃহৎ পৰিমাণৰ ধন কঢ়িয়াই অনাৰ কোনো ধৰণৰ নথি-পত্ৰ বাহনৰগৰাকীৰ হাতত নাছিল, যাৰ পৰিপ্ৰেক্ষিতত নিৰ্বাচনী বিধি উলংঘা কৰাৰ বাবে চামগুৰি আৰক্ষীয়ে উক্ত ধন ৰাশি জব্দ কৰে বুলি জানিব পৰা গৈছে।



দীপাৱলীৰ দিনটোত ঝাৰখণ্ডৰ কাৰ্যকৰ্তাসকলৰ সৈতে অসমৰ মুখ্যমন্ত্ৰী

# মৈৰাবাৰীত চৰ্দাৰ বল্লভভাই পেটেলৰ জন্মদিনত একতা দৌৰ

**ই-সংবাদ, লাহৰীঘাট, ৩১ অক্টোবৰঃ** স্বাধীন ভাৰতৰ প্ৰথমগৰাকী গৃহমন্ত্ৰী লৌহ মানৱ চৰ্দাৰ বল্লভভাই পেটেলৰ জন্মদিন প্ৰতি বছৰে গোটেই ভাৰতবৰ্ষতে ৰাষ্ট্ৰীয় একতা দিৱস হিচাপে উদযাপন কৰা হয়। ৰাষ্ট্ৰীয় একতা দিৱসৰ লগত সংগতি ৰাখি মেৰা যুৱ ভাৰত, মৰিগাঁও জিলা নেহেৰু যুৱ কেন্দ্ৰই আদিত্য ৰুৰেল ডেভলপমেণ্ট ফাউণ্ডেচন মৈৰাবাৰীৰ সহযোগত আজি দিনজোৰা কাৰ্যসূচীৰে ৰাষ্ট্ৰীয় একতা দিৱস উদযাপন কৰে। আজি পুৱা ৯ বজাত অঞ্চলটোৰ বেলগুৰি শ্বেইখ ব্ৰাদাৰ্ছ জাতীয় বিদ্যালয় খেলপথাৰৰ পৰা একতা দৌৰ আৰম্ভ হৈ বেলগুৰি বজাৰত অন্ত পৰে। দুই শতাধিক যুৱক-যুৱতী আৰু ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰা এই একতাৰ দৌৰ আনুষ্ঠানিকভাৱে উদ্বোধন কৰে বেলগুৰি বজাৰ সমিতিৰ সভাপতি ৰহমত আলীয়ে। একতা দৌৰৰ অন্তত বিদ্যালয়ৰ প্ৰধান শিক্ষক ইক্ৰাম হুছেইন চৌধুৰীৰ সভাপতিত্বত বল্লভভাই পেটেলৰ জীৱন-দৰ্শনৰ বিষয়ে এক আলোচনা সভা অনুষ্ঠিত হয়। এই সভাত বেলগুৰি গাঁৱৰ গাঁও প্ৰধান আজিজুৰ ৰহমান, বিদ্যালয়ৰ শিক্ষক আফাজ উদ্দিন, নয়জুল ইছলাম, মুৰ্চিদা বেগম, নেহেৰু যুৱ কেন্দ্ৰৰ প্ৰাক্তন স্বেচ্ছাসেৱক ছাহিনুৰ ৰহমান, স্বেচ্ছাসেৱী অনুষ্ঠান আদিত্যৰ সভাপতি জয়নুৰ ৰহমানৰ লগতে অনুষ্ঠানটোৰ কৰ্মকৰ্তা মোবাৰক হুছেইন, ছাৰিফুল ইছলাম, মোবাৰক আলী আদি ব্যক্তিসকলে লৌহ মানৱগৰাকীৰ জীৱন-দৰ্শন সম্পৰ্কে বক্তৃতা আগবঢ়ায়। উল্লেখ্য যে, অনুষ্ঠানটোত উপস্থিত থকা সকলোৱে ৰাষ্ট্ৰীয় একতাৰ শপত বাক্য পাঠ কৰে।আজি দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত কাৰ্যসূচীত অংশগ্ৰহণ কৰা সকলোকে নেহেৰু যুৱ কেন্দ্ৰ, মৰিগাঁৱৰ জিলা যুৱ বিষয়া বিকাশ চন্দ্ৰ প্ৰধান আৰু গাণনিক আৰু কাৰ্যসূচী বিষয়া ধনঞ্জয় তালুকদাৰে কৃতজ্ঞতা জনায়।

## তামুলপুৰ কলেজে পালে নাকৰ 'বি' গ্ৰেড

**ই-সংবাদ, তামুলপুৰ, ৩১ অক্টোবৰঃ** বিগত ২২ আৰু ২৩ অক্টোবৰত তামুলপুৰ মহাবিদ্যালয় (বৰনগৰ)ত ৰাষ্ট্ৰীয় মূল্যায়ন আৰু স্বীকৃতি পৰিষদ(নাক)-এ প্ৰথমবাৰৰ বাবে চক্ৰ-১ পৰিদৰ্শন কৰি মহাবিদ্যালয়খনক 'বি' গ্ৰেড প্ৰদান কৰাক লৈ মহাবিদ্যালয়ৰ চৌহদ তথা অঞ্চলটোৰ ৰাইজৰ মাজত উছাহৰ ঢল বোৱাৰ লগতে মহাবিদ্যালয় চৌহদত ইজনে-সিজনক মিঠাই খুৱাই আনন্দ উল্লাস কৰে। মহাবিদ্যালয়খনে ৰাষ্ট্ৰীয় মূল্যায়ন আৰু স্বীকৃতি পৰিষদৰ মূল্যাংকনৰ ৭ টা কঠিন বিষয়ৰ মূল্যায়নত ২.২৯ চিজিপিএ নম্বৰ লাভ কৰিবলৈ সক্ষম হৈছে। এই সুযোগতে মহাবিদ্যালয়খনৰ অধ্যক্ষ ড০ যোগেন বড়োৱে বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়ো, স্থানীয় বিধায়ক জলেন দৈমাৰী, মহাবিদ্যালয় পৰিচালনা সমিতি, শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী, অভিভাৱক-অভিভাৱিকা, প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সমাৰোহ, বিভিন্ন দল-সংগঠনৰ লগতে ৰাইজলৈ কৃতজ্ঞতা জ্ঞাপন কৰিছে।

## প্ৰবীণ দাসক ৰাইজৰ দলৰ গোলাঘাট জিলাৰ সভাপতিৰ দায়িত্ব



**ই-সংবাদ, খুমটাই, ৩১ অক্টোবৰঃ** গোলাঘাট হাতীয়ে খোৱা গাঁৱত জন্ম গ্ৰহণ কৰা প্ৰতিবাদী সত্ত্বা প্ৰবীণ দাসক ৰাইজৰ দলৰ গোলাঘাট জিলাৰ সভাপতিৰ দায়িত্ব অৰ্পণ কৰা হয়। দাসে একালৰ গোলাঘাট জিলা ছাত্ৰ সন্থাৰ প্ৰাক্তন সম্পাদকৰ গুৰু দায়িত্ব বহন কৰিছিল। আনহাতে, গোলাঘাট জিলা কৃষক মুক্তি সংগ্ৰাম সমিতিৰ কাৰ্যকৰী সভাপতিও আছিল দাস। যোৱা ২৮ আক্টোবৰত গুৱাহাটীত ৰাইজৰ দলৰ অনুষ্ঠিত হোৱা প্ৰতিনিধি সভাত দলটোক আগুৱাই নিয়াৰ স্বাৰ্থত প্ৰবীণ দাসক গোলাঘাট জিলাৰ সভাপতি দায়িত্ব অৰ্পণ কৰা হয়।



জন্মদিনৰ দিনটোত ডিব্ৰুগড়ত চাহ বনোৱাত ব্যস্ত সৰ্বানন্দ সোণোৱাল

## মৰিগাঁও জিলা সাহিত্য সভাৰ প্ৰস্তুতি তুংগত

# মায়ং অধিৱেশনৰ বাবে উপ-সমিতিসমূহক দায়িত্ব অৰ্পণ

**ই-সংবাদ, মৰিগাঁও ,৩১ অক্টোবৰঃ** মৰিগাঁও জিলা সাহিত্য সভাৰ আগন্তুক অষ্টাদশ দ্বি-বাৰ্ষিক মায়ং অধিৱেশনখনি সুচাৰুৰূপে অনুষ্ঠিক কৰাৰ বাবে গঠন কৰা আদৰণী সমিতিৰ উপ-সমিতিসমূহক আজি আনুষ্ঠানিকভাৱে দায়িত্ব অৰ্পণ কৰা হয়। এই উদ্দেশ্যে আজি মায়ং প্ৰাথমিক বিদ্যালয় প্ৰাংগণত এখন সভা অনুষ্ঠিত হয়। আদৰণী সমিতিৰ সভাপতি তথা কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক মিহিৰ হাজৰিকাৰ সভাপতিত্বত অনুষ্ঠিত এই সভাখনৰ আঁত ধৰে আদৰণী সমিতিৰ সম্পাদক নৱ ৰাজনে। উক্ত অনুষ্ঠানটিত মায়ঙৰ পৰম্পৰাগত ৰজা তৰণীকান্ত সিংহ, মায়ং আঞ্চলিক উন্নয়ন সমিতিৰ সভাপতি প্ৰফুল্ল কুমাৰ ভুঞা, আদৰণী সমিতিৰ উপদেষ্টা তিলক হাজৰিকা, ৰামচন্দ্ৰ শইকীয়া, বসন্ত শইকীয়া, দিপন কাঠাৰ, পুলেন ৰাহাং, ঘনশ্যাম নাথ, ড০ উৎপল নাথ, প্ৰতাপ ডেকা, নিৰাপদ শইকীয়া, মনোজ নাথ, ৰবীন কলিতা, পৱন বিষয়া, কবিতামেধি, বীৰেশ্বৰ কেলেং, ভৰত বিষয়া, বিপুল ডেকা প্ৰমুখ্যে শতাধিক সাহিত্যনুৰাগী উপস্থিত থাকে। আদৰণী সমিতিৰ সভাপতিয়ে অধিৱেশনখনি সাফল্যমণ্ডিত কৰি তোলাৰ বাবে সকলোৰে সহায়-সহযোগিতা তথা দিহা-পৰামৰ্শ কামনা কৰে। আনফালে, এই সভাৰ পূৰ্বে উক্ত স্থানতে অনুষ্ঠিত আন এখন সভাত মায়ং আঞ্চলিক শাখা সাহিত্য সভাৰ নতুন সমিতিক দায়িত্ব অৰ্পণ কৰা হয়। মায়ং আঞ্চলিক শাখা সাহিত্য সভাৰ সদ্য বিদায়ী সভাপতি ৰেণুপ্ৰভা লস্কৰ মেধিৰ সভাপতিত্বত অনুষ্ঠিত উক্ত সভাখনত শাখাৰ নৱ নিৰ্বাচিত সভাপতি মুকুট বিষয়া আৰু সম্পাদক দিলীপ শইকীয়া প্ৰমুখ্যে শাখাৰ নতুন বিষয়ববীয়াসকলক পুৰণি সমিতিয়ে দায়িত্ব অৰ্পণ কৰে।

# তামুলপুৰত প্ৰশাসনৰ ৰাষ্ট্ৰীয় একতা দিৱস পালন

**ই-সংবাদ, তামুলপুৰ, ৩১ অক্টোবৰঃ** ভাৰতৰ 'লৌহ মানৱ' চৰ্দাৰ বল্লভভাই পেটেলৰ জন্মদিনটো ভাৰতৰ প্ৰতিখন ৰাজ্যই ৰাষ্ট্ৰীয় একতা দিৱস হিচাপে পালন কৰি আহিছে। তদুপলক্ষে আজি তামুলপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত তামুলপুৰ জিলা প্ৰশাসনৰ উদ্যোগত এই দিৱস পালন কৰা হয়। অনুষ্ঠানৰ আৰম্ভণিতে জিলাখনৰ আয়ুক্ত পংকজ চক্ৰৱৰ্তীয়ে উপস্থিত সকলোকে ঐক্য আৰু সংহতিৰ শপতবাক্য পাঠ কৰোৱায়। তাৰ পাছত লৌহ মানৱগৰাকীৰ প্ৰতিচ্ছবিত জিলা আয়ুক্ত পংকজ চক্ৰৱৰ্তীকে ধৰি আৰক্ষী অধীক্ষক দিগন্ত কুমাৰ চৌধুৰী, বিটিচিৰ কাৰ্যবাহী সদস্য ৰমেন নাৰ্জাৰী, মনোনীত পাৰিষদ হেমন্ত কুমাৰ ৰাভা, জিলা প্ৰশাসনৰ অন্যান্য বিষয়া-কৰ্মচাৰী আদিয়ে পুষ্পাঞ্জলি অৰ্পণ কৰে। ইয়াৰ পাছত অসম আৰক্ষী আৰু চেণ্ট জেভিয়াৰ্চ স্কুলৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাৰ্চ-পাচ কাৰ্যসূচী অনুষ্ঠিত হয়। চেণ্ট জেভিয়াৰ্চ স্কুলৰ ছাত্ৰ-ছাত্ৰীসকলে বেণ্ড ডিছপ্লে' কাৰ্যসূচীও ৰূপায়িত কৰে। পৰৱৰ্তী সময়ত জিলা আয়ুক্তগৰাকীয়ে লৌহ মানৱগৰাকীৰ জীৱনাদৰ্শ সম্পৰ্কে চমু বক্তব্য ৰাখে। নিজৰ বক্তব্যত তেওঁ কয়, "পেটেল ডাঙৰীয়াই বৰ্ণাঢ্য জীৱনৰ প্ৰতিটো মুহূৰ্তই দেশৰ হকে উৎসৰ্গা কৰিছিল। স্বাধীনতাৰ আগত অথবা পাছত তেখেতৰ যি কৰ্মৰাজি, সেয়া চিৰ অনৱদ্য।" আজিৰ অনুষ্ঠানত জিলা প্ৰশাসনৰ উপৰি অন্যান্য বিভাগৰ বিষয়া-কৰ্মচাৰী, আৰক্ষীৰ লোক, ক্ৰীড়া সংগঠনৰ লোক, ছাত্ৰ-ছাত্ৰী আদিয়ে অংশগ্ৰহণ কৰে বুলি তথ্য আৰু জনসংযোগ বিষয়া বিজয় বেজবৰুৱাই এক প্ৰেছ বিজ্ঞপ্তিযোগে জনাইছে।

## আমগুৰি ৰাজহচক্ৰ বিলুপ্তিকৰণৰ সিদ্ধান্ত!

# আয়ুক্তক সাক্ষাৎ আমগুৰি অগপৰ

**ই-সংবাদ, আমগুৰি, ৩১ অক্টোবৰঃ** অসম চৰকাৰে আমগুৰি ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয় বন্ধ কৰাৰ সিদ্ধান্ত প্ৰচাৰ হোৱাৰে পৰা আমগুৰিৰ সৰ্বত্ৰে ইয়াৰ বিৰুদ্ধে প্ৰতিবাদ আৰম্ভ হৈছে। আমগুৰি বিধানসভা সমষ্টি বিলুপ্তিকৰণৰ পিছত আমগুৰি ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ৰ লগতে বিভিন্ন চৰকাৰী কাৰ্যালয় বন্ধ কৰি চৰকাৰে আমগুৰিৰ অস্তিত্বৰ প্ৰতি ভাবুকিৰ সৃষ্টি কৰি যি প্ৰক্ৰিয়া আৰম্ভ কৰিছে তাৰ বিৰুদ্ধে আজি অসম গণ পৰিষদৰ পুৰণি আমগুৰি সমষ্টি সমিতিৰ সভাপতি বিপুল বৰকটকীৰ নেতৃত্বত এটি সঁজাতি দলে শিৱসাগৰ জিলা আয়ুক্ত সাক্ষাৎ কৰে। সঁজাতি দলটিয়ে জিলা আয়ুক্তক সাক্ষাৎ কৰি চৰকাৰে আমগুৰি ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয় বন্ধ কৰিলে বৃহত্তৰ আমগুৰিবাসী ৰাইজে যি অভাৱনীয় সমস্যাৰ সন্মুখীন হ'ব তাৰ বিষয়ে বিস্তৃতিভাৱে অৱগত কৰাৰ লগতে এখনি স্মাৰক পত্ৰ প্ৰদান কৰে। দলটিয়ে জিলাখনৰ মুৰব্বী হিচাপে জিলা আয়ুক্তক মুখ্যমন্ত্ৰীৰ লগতে বিভাগীয় মন্ত্ৰী, জিলাৰ অভিভাৱক মন্ত্ৰীক আমগুৰিবাসী ৰাইজৰ মতামত ব্যক্ত কৰি এই সিদ্ধান্ত প্ৰত্যাহাৰ কৰিবলৈ আহ্বান জনায়। আনহাতে, সঁজাতি দলটিৰ নেতৃত্ব দিয়া জ্যেষ্ঠ অগপ নেতা তথা বিশিষ্ট শিক্ষাবিদ বিপুল বৰকটকীয়ে আমগুৰি বিধানসভা সমষ্টি বিলুপ্তিকৰণৰ পিছত বিভিন্ন চৰকাৰী কাৰ্যালয় আমগুৰিৰ পৰা উঠাই লৈ যাবলৈ চেষ্টা কৰাটো আমগুৰিবাসী ৰাইজৰ পৰিপন্থী বুলি উল্লেখ কৰি চৰকাৰক শীঘ্ৰে উক্ত সিদ্ধান্ত পুনৰ বিবেচনা কৰিবলৈ আহ্বান জনায়। বহিঃৰাজ্য নগালেণ্ডৰ সীমান্তৱৰ্তী স্পৰ্শকাতৰ এই অঞ্চলটোৰ পৰা এনে এটা গুৰুত্বপূৰ্ণ কাৰ্যালয় স্থানান্তৰিত কৰিলে সমগ্ৰ ৰাইজৰ জীৱন-সম্পত্তিৰ প্ৰতি ভাবুকি কঢ়িয়াই আনিব বুলি মতপোষণ কৰে জ্যেষ্ঠ অগপ নেতাগৰাকীয়ে। জিলা আয়ুক্তক সাক্ষাৎ কৰা সঁজাতি দলটোত শিৱসাগৰ জিলা অগপৰ সাধাৰণ সম্পাদক নিত্যানন্দ কলিতা, মৰাবজাৰ সমাবায় সমিতিৰ সভাপতি জগদীশ গগৈ, পিণ্টু ৰঞ্জন চুতীয়াই অংশগ্ৰহণ কৰে। উল্লেখ্য যে, বিষয়টো সন্দৰ্ভত আমগুৰি অগপৰ নেতৃবৃন্দই শীঘ্ৰে অসমৰ মুখ্যমন্ত্ৰী, অভিভাৱক মন্ত্ৰীক সাক্ষাৎ কৰিব বুলি জানিব পৰা গৈছে।



নিজ বাসগৃহত দীপাৱলী পালনত ব্যস্ত অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈ, বৃহস্পতিবাৰে

# নগাঁৱৰ পশ্চিমাঞ্চলত দীপাৱলীৰ উৎসৱমুখৰ পৰিৱেশ

**ই-সংবাদ, বেবেজীয়া, ৩১ অক্টোবৰঃ** অমাৱশ্যাৰ ঘন আন্ধাৰ বিনাশী চৌপাশ আলোকিত কৰি তোলা পোহৰৰ উৎসৱ দীপাৱলী সমগ্ৰ ৰাজ্য ব্যাপি আজি উদযাপন কৰা হয়। বহু পুৰণি কালৰে পৰা হিন্দু ধৰ্মাৱলম্বী লোকসকলে উচ্চ-নীচ ভেদাভেদ পাহৰি আলোকৰ এই অতি হেঁপাহৰ উৎসৱটি বন্ধু-বান্ধৱ আৰু পৰিয়ালৰ সকলোৰে পালন কৰি আহিছে। তদনুযায়ী এইবাৰো পোহৰৰ উৎসৱটি ৰাজ্যৰ অন্যান্য প্ৰান্তৰ দৰে নগাঁও জিলাৰ পশ্চিমাঞ্চলতো ওলহ-মালহেৰে পালন কৰা হয়। জিলাখনৰ বেবেজীয়াকে প্ৰমুখ্য কৰি ইয়াৰ পাৰ্শ্বৱৰ্তী জামুগুৰি, চমুৱাগাঁও, কুৰুৱাবাহী, ৰাইদঙীয়া, হাতীচোং, ন-সত্ৰ, আইভেটী, বৰছিলা, দলংঘাট, কাকমাৰী, জাজৰি, ভোমোৰাগুৰি, কাছমাৰী, নমাটি, ভালুকমাৰী, শেতালী, ডিমৌ, পেটবহা, শেনচোৱা, বাংথাই, ঘাঁহী, বৰজহা, ম'হমৰীয়া, বৰক'লা, দক্ষিণপাট, ডাকৰঘাট, দেওধৰ, কৃষ্ণাইখাট আদি গ্ৰামাঞ্চলবোৰত দেৱালীক কেন্দ্ৰ কৰি উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি হয়। অৱশ্যে উক্ত গ্ৰামাঞ্চলত একাংশ অসাধু ব্যৱসায়ীয়ে মইমতালিৰে অত্যাৱশ্যকীয় সামগ্ৰীৰ দাম অভাৱনীয়ভাৱে বৃদ্ধি ঘটোৱাৰ হেতু কিছু পৰিমাণে দীপান্বিতাৰ আনন্দ-উল্লাসত ম্লান পৰে। তথাপি তেনে সমস্যাৰ কথা ক্ষণিকৰ বাবে পাহৰি দেৱালীৰ ৰীতি-পৰম্পৰা বেছ ৰং-ৰহইচৰ মাজেৰেই ৰক্ষা কৰা পৰিলক্ষিত হয়। উপৰিক্ত গ্ৰামাঞ্চলবোৰৰ প্ৰতিঘৰ গৃহস্থ আৰু ব্যৱসায়-প্ৰতিষ্ঠানৰ লোকসকলে কলপুলি পুতি তাত মাটিৰ চাকি আৰু ম'মবাতি জ্বলাই পোহৰৰ উৎসৱটি পালন কৰাৰ লগতে বিভিন্ন প্ৰকাৰৰ ফটকা, ফুলজাৰি আৰু আতচবাজীৰে আকাশ-বতাহ ৰজনজনাই তুলি চৌদিশে পোহৰৰ নানাৰঙী মায়াজালৰ সৃষ্টি কৰে। অৰ্থাৎ শব্দ আৰু নানাৰঙী পোহৰৰ খেলাই চঞ্চল কৰি পেলায় তমসাছন্ন নিশাৰ পৰিৱেশ। তদুপৰি একাংশ অত্যুৎসাহী বিত্তশালী ব্যক্তিয়ে নিজৰ আৱাসগৃহ আৰু ব্যৱসায়-প্ৰতিষ্ঠান আদি দুগুণ উৎসাহেৰে ৰঙীন বিজুলী বাতিৰে আটকধুনীয়াকৈ সজাই তোলা দেখা যায়। ইফালে, অন্ধকাৰ নাশি ধৰাতল পোহৰাই তুলিবলৈ সক্ষম হোৱা এই উৎসৱত কিন্তু অপৰিহাৰ্য আপোনাৰ-মোৰ সবাৰে অতি চিনাকি বাৰীৰ কলপুলিটো। কাৰণ এই কলপুলিটোক মূল আধাৰ হিচাপে লৈ চাকি-বন্তি জ্বলোৱাৰ যি পৰম্পৰা অতীজৰে পৰা যুগ যুগ ধৰি চলি আহিছে সেয়া বৰ্তমানেও পৰিৱৰ্তন হোৱা নাই। কাজেই, দীপান্বিতাত স্বাভাৱিকতেই বৃদ্ধি পায় কলপুলিৰ অভাৱনীয় চাহিদা।

# তিৱাসকলৰ কৃষিভিত্তিক উৎসৱ লাংখন বৰ্ণিল কাৰ্যসূচীৰে উদযাপন

**ই-সংবাদ, নাৰেংগী, ৩১ অক্টোবৰঃ** অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ অন্যতম খিলঞ্জীয়া জনগোষ্ঠী তিৱাসকলৰ অন্যতম কৃষিভিত্তিক উৎসৱ 'লাংখন' তাহানিৰ পৰা পৰম্পৰাগতভাৱে গাঁৱে গাঁৱে উদযাপিত হৈ আহিছে। কিন্তু কালক্ৰমত এই উৎসৱ মঞ্চলৈ আহিল। এইবেলি ১৭ সংখ্যক 'লাংখন' উৎসৱ পশ্চিম কাৰ্বি আংলং জিলাৰ উলুকুঞ্চিত কেন্দ্ৰীয়ভাৱে উদযাপন কৰা হয়। তিনিদিনীয়াকৈ অনুষ্ঠিত উৎসৱৰ আজি পুৱা তিৱাসকলৰ পূৰ্ব পুৰুষৰ ৭ টা ফৈদ আমচাই, মাৰ্জং, ৰংখই, আমৰি, আমখা, মাৰ্গঃ আৰু আমজঙৰ পৱিত্ৰ স্মৃতিত স্মৃতি তৰ্পণ কৰে। ইয়াৰ পিছত অনুষ্ঠিত মুকলি সভাত সন্মানিত অতিথি হিচাপে অংশ লৈ 'অসম সৌৰভ' নাদিৰাম দেউৰীয়ে কয় যে পাহাৰ-ভৈয়ামৰ সংস্কৃতি একাকাৰ কৰি সুস্থ পৰিৱেশনেৰে আমাৰ প্ৰতিভাসমূহৰ লগতে আমাৰ কৃষ্টিৰ-সংস্কৃতিসমূহ প্ৰতিষ্ঠা কৰিব লাগে। সভাৰ বিশিষ্ট অতিথি অসম জনজাতি সাংস্কৃতিক মহাসভাৰ সভাপতি তথা আকাশবাণী আৰু দূৰদৰ্শনৰ অৱসৰপ্ৰাপ্ত অতিৰিক্ত সঞ্চালক প্ৰধান দেৱেন্দ্ৰ নাথ বসুমতাৰীয়ে কয়- "জনগোষ্ঠীসমূহৰ ভাষা-সাহিত্য -সংস্কৃতিৰ প্ৰতি বিৰাট প্ৰত্যাহ্বান আহি পৰিছে। বিশেষভাৱে ক্ষুদ্ৰ ক্ষুদ্ৰ জনগোষ্ঠীসমূহৰ ভাষা জীয়াই থকাৰ বাবে। প্ৰতিটো জনগোষ্ঠীৰ বৰমূৰীয়াসকলে এই ক্ষেত্ৰত চিন্তা কৰিব লাগে। চৰকাৰ তথা স্বায়ত্তশাসিত পৰিষদসমূহৰ লগতহে সাহিত্য সভাসমূহৰো অনেক দায়িত্ব আৰু কৰণীয় আছে।" সভাত তিৱা স্বায়ত্তপৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য জীৱন চন্দ্ৰ কোঁৱৰ, কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ কাৰ্যবাহী সদস্য সূৰ্য ৰংফাৰ, ডি উফিং মাচলাই, সাধাৰণ সদস্য ফেনপিগা ৰেংমা, আবিজিদ ক্ৰ', তিৱা সাহিত্য সভাৰ প্ৰধান সম্পাদক ড০ বিদ্যুৎ বিকাশ সেনাপতি, প্ৰাক্তন সভাপতি লালসিং মাদাৰ, সাহিত্য অকাডেমিৰ ভাষা বঁটা প্ৰাপক হৰসিং খোলাৰ, কাৰ্বি আংলং জিলা তিৱা সাংস্কৃতিক সমাজৰ সভাপতি কুমুদ মিথি, অসম জনজাতি সাংস্কৃতিক মহাসভাৰ উপ-সভাপতি কালিকান্ত বড়ো, সাংগঠনিক সম্পাদক দিব্যজ্যোতি বৰদলৈ, সদস্য দ্বিজেন আমচি, পদ্মেশ্বৰ মিথি, কাৰ্বি আংলং জিলা সাংস্কৃতিক মহাসভাৰ সভাপতি সনৎ বৰদলৈ, সাংবাদিক তথা সাহিত্যক দীপক শৰ্মা প্ৰমুখ্যে ভালেমান বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে। সভাপতি নগেন মালাং আৰু সম্পাদক দেৱল সিং মাদাকে আঁত ধৰা, উদ্দেশ্য ব্যাখ্যা কৰা আৰুআদৰণি ভাষণ দিয়া সভাত পাহাৰ-ভৈয়ামৰ তিৱা, কাৰ্বি, নেপালী, বড়ো, খাচী আদি বিভিন্ন জনগোষ্ঠীৰ হেজাৰ হেজাৰ লোক সমবেত হয়।

## ৰাষ্ট্ৰীয় একতা দিৱসত অংশগ্ৰহণ কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ

# চৰ্দাৰ পেটেলৰ ধাৰণাক নৱ প্ৰচেষ্টাৰে আগুৱাই নিছে চৰকাৰে

**ই-সংবাদ, ডিব্ৰুগড়, ৩১ অক্টোবৰঃ** লৌহপুৰুষ চৰ্দাৰ বল্লভভাই পেটেলৰ জন্মদিৱস উপলক্ষে ডিব্ৰুগড়ত কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰালয়ৰ উদ্যোগত তথা ডিব্ৰুগড় জিলা প্ৰশাসনৰ সহযোগত আয়োজিত 'ৰাষ্ট্ৰীয় একতা দিৱস'ৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰে কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে। অনুষ্ঠানত দেশৰ ঐক্য, অখণ্ডতা আৰু সুৰক্ষাৰ মূলমন্ত্ৰৰে ভাৰ্চুৱেলী যোগদান কৰা অসংখ্য সহকৰ্মীৰ সৈতে মন্ত্ৰীগৰাকীয়ে শপতবাক্য বাক্য পাঠ কৰে। এই উপলক্ষে ভাষণ দি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়, "এখন শক্তিশালী আৰু সমৃদ্ধিশালী ভাৰত গঢ়াৰ বাবে দেশৰ লৌহপুৰুষ চৰ্দাৰ বল্লভভাই পেটেলৰ ৰাষ্ট্ৰ নিৰ্মাণৰ ধাৰণাক বৰ্তমানৰ নৰেন্দ্ৰ মোদী নেতৃত্বাধীন চৰকাৰে এটা দশক ধৰি অতি আন্তৰিকতা আৰু ন ন প্ৰচেষ্টাৰে আগবঢ়াই লৈ গৈছে। প্ৰধানমন্ত্ৰী মোদীয়ে ৰাষ্ট্ৰবাদী চেতনাৰে দেশবাসীক অনুপ্ৰাণিত কৰাৰ লগতে দেশবাসীক একত্ৰিত কৰাৰ বাবে অক্লান্তভাৱে কাম কৰি আহিছে। চৰ্দাৰ পেটেলৰ সাহসী আৰু নিঃস্বাৰ্থ প্ৰচেষ্টাই স্থাপন কৰা শক্তিশালী ভেটিৰ ওপৰতে আজি দেশখনে 'এক ভাৰত, শ্ৰেষ্ঠ ভাৰত'ৰ ধাৰণাক বাস্তৱায়িত কৰাৰ দিশত আগবাঢ়িছে। চৰ্দাৰ পেটেলে প্ৰশস্ত কৰা পথটোৰেই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশৰ সৰ্বাংগীণ উন্নয়নৰ নেতৃত্ব দিবলৈ নতুন উদ্যমেৰে অগ্ৰসৰ হৈছে। এখন শক্তিশালী দেশ গঢ়াৰ ক্ষেত্ৰত চৰ্দাৰ বল্লভভাই পেটেলৰ অমূল্য অৱদানৰ বাবে তেখেতলৈ মই গভীৰ শ্ৰদ্ধাঞ্জলি যাচিছোঁ।" কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে অনুষ্ঠানত চৰ্দাৰ বল্লভভাই পেটেলৰ প্ৰতিমূৰ্তিত শ্ৰদ্ধাঞ্জলি আগবঢ়ায়।
কংগ্ৰেছক কঠোৰ সমালোচনা কৰি সৰ্বানন্দ সোণোৱালে কয়, "কংগ্ৰেছে কেতিয়াও চৰ্দাৰ বল্লভভাই পেটেলক উচিত সন্মান প্ৰদান কৰা নাছিল। তেখেতৰ দৰে মহান ব্যক্তিজনক প্ৰাপ্য সন্মানৰ পৰা সদায় বঞ্চিত কৰি ৰাখিছিল। দশক দশক ধৰি কংগ্ৰেছে চৰ্দাৰ পেটেলৰ কৰ্মৰাজিক অন্ধকাৰত ৰাখি দেশৰ জনতাৰ লগত অক্ষমনীয় অপৰাধ কৰিছিল। দেশৰ বাবে চৰ্দাৰ পেটেলৰ অগণন অৱদানৰ বাবে কংগ্ৰেছে তেওঁক উদ্দেশ্যপ্ৰণোদিতভাৱেই জনমানসৰ পৰা আঁতৰাই ৰখাৰ ষড়যন্ত্ৰ কৰিছিল। কিন্তু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াৰ গতিশীল নেতৃত্বত আজি ভাৰতৰ লৌহপুৰুষ চৰ্দাৰ বল্লভভাই পেটেলৰ জীৱন পৰিক্ৰমা আৰু অতুলনীয় কৰ্মৰাজি উদযাপন কৰি শক্তিশালী, সুৰক্ষিত আৰু সংহত ভাৰত গঢ়াৰ দিশত দেশৰ জনতাক অনুপ্ৰাণিত তথা দায়বদ্ধ কৰা হৈছে। আমি চৰ্দাৰ পেটেলৰ জন্মবাৰ্ষিকী উদযাপন কৰাৰ সময়ত কংগ্ৰেছৰ কুটিল অভিসন্ধি কোটি কোটি ভাৰতীয়ৰ সন্মুখত সম্পূৰ্ণৰূপে নিঃশেষ হৈ গৈছে। আমাৰ দেশখনক আত্মনিৰ্ভৰ ভাৰত হিচাপে গঢ় দিয়াৰ দিশত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্ব দি থকাৰ সময়ত চৰ্দাৰ পেটেলৰ আদৰ্শই আমাক যথেষ্ট অনুপ্ৰাণিত কৰিছে। এখন শক্তিশালী আৰু বিকশিত ভাৰত গঢ়াৰ অনিৰুদ্ধ যাত্ৰাত চৰ্দাৰজীৰ আদৰ্শ পাথেয় হৈ ৰ'ব।" এই অনুষ্ঠানত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ সৈতে উপস্থিত থাকে অসম চৰকাৰৰ মন্ত্ৰী যোগেন মহন, সাংসদ ৰামেশ্বৰ তেলী, বিধায়কদ্বয় প্ৰশান্ত ফুকন আৰু পোনাকণ বৰুৱা, অসম পৰ্যটন উন্নয়ন নিগমৰ অধ্যক্ষ ঋতুপৰ্ণ বৰুৱা প্ৰমুখ্যে গণ্য-মান্য ব্যক্তিসকল।

## নামাজ পঢ়িয়েই বেনাৰ, ফেষ্টুন লৈ ওলাল ৰাজপথলৈ

# জুৰীয়াত ড্ৰাগছৰ বিৰুদ্ধে উত্তাল প্ৰতিবাদ

**ই-সংবাদ, বেবেজীয়া, ৩১ অক্টোবৰঃ** সমগ্ৰ ৰাজ্যৰ লগতে নগাঁও জিলাতো অব্যাহত আছে নিষিদ্ধ ড্ৰাগছৰ প্ৰচলন। ফলত সামাজিক, শৈক্ষিক পৰিৱেশ কলুষিত হৈ পৰাৰ বিপৰীতে ইয়াৰ গ্ৰাসত পৰি একাংশ নৱপ্ৰজন্মৰ জীৱন ধ্বংসৰ মুখে গতি কৰিছে। এনে পৰিস্থিতিত অতিষ্ঠ হৈ পৰা নগাঁৰৰ একাংশ গঞা মাৰবান্ধি ওলাই আহিল ৰাজপথলৈ। উত্তাল কৰিলে গ্ৰামাঞ্চলৰ পৰিবেশ। আচলতে, জিলাখনৰ জুৰীয়াৰ আৰক্ষী থানাৰ এলেকাধীন গ্ৰামাঞ্চলবোৰত ড্ৰাগছে ব্যাপকভাৱে ছানি ধৰাত ইয়াৰ বিৰুদ্ধে তিনিচুকীয়া গাঁৱৰ ৰাইজে সাব্যস্ত কৰে বৃহৎ প্ৰতিবাদ। গাঁৱখনৰ সহস্ৰাধিক লোক একত্ৰিত হৈ পুৱাৰ ফজৰৰ নামাজ পঢ়িয়েই হাতে হাতে ড্ৰাগছ বিৰোধী বেনাৰ, ফেষ্টুন, প্লে'কাৰ্ড আদি লৈ ওলাই আহিল ৰাজপথলৈ। অঞ্চলটোত ভয়াৱহভাৱে বৃদ্ধি পোৱা জীৱন ধ্বংসকাৰী ড্ৰাগছৰ প্ৰচলন বন্ধ কৰাৰ দাবীত এইদৰে ৰাইজে সাব্যস্ত কৰে এই প্ৰতিবাদ। কাহিলি পুৱাতে তিনিচুকীয়া জামে মছজিদত ফজৰৰ নামাজ আদায় কৰাৰ পিছতেই সকলোৱে ড্ৰাগছ বিৰোধী বিভিন্ন শ্ল'গানেৰে সমগ্ৰ অঞ্চলটো পৰিভ্ৰমণ কৰি সৰবৰাহকাৰীক আৰক্ষীকাপ্ৰশাসনে আটক কৰি কঠোৰ শাস্তি বিহাৰ দাবী তোলে। ড্ৰাগছ সেৱনকাৰী আৰু সৰবৰাহকাৰীক সম্পূৰ্ণৰূপে নিৰ্মূল কৰিব পাৰিলেহে অঞ্চলটোৰ পৰিৱেশ সুস্থিৰ হ'ব বুলি ৰাইজে আশা প্ৰকাশ কৰি আৰক্ষী প্ৰশাসনক ড্ৰাগছ সৰবৰাহৰ বিৰুদ্ধে কঠোৰ হ'বলৈ দাবী জনায়। মাৰাত্মক ড্ৰাগছৰ বিৰুদ্ধে তিনিচুকীয়া গাঁৱৰ ৰাইজে এনেদৰে সজাগতা অৱলম্বন কৰা কাৰ্যই এতিয়া সৰ্বত্ৰে চৰ্চা লাভ কৰা পৰিলক্ষিত হৈছে।

# নায়েৰ আলগা চৰাঞ্চলত  শীতকালীন উৎসৱ ২০২৪ আৰম্ভ

**ই-সংবাদ, বিলাসীপাৰা, ৩১ অক্টোবৰঃ** ধুবুৰী জিলাৰ পশ্চিম বিলাসীপাৰাৰ নায়েৰ আলগাত অইন বছৰৰ দৰে এইবেলিও বৰ্ণাঢ্য কাৰ্যসূচীৰে শীতকালীন উৎসৱ-২০২৪ অনুষ্ঠিত হৈছে। কালি এই উৎসৱৰ শুভ উদ্বোধন কৰা হয়। এই উৎসৱত বিভিন্ন আকৰ্ষণীয় বয়-বস্তুৰ দোকান-পোহাৰৰ লগতে নাগৰ ঢলা, ব্ৰেক ডান্স, চুপাৰ ড্ৰাগন ৰে'ল গাড়ী, চাৰ্কাছ আদিৰ পয়োভৰ ঘটিছে। ১২ নৱেম্বৰলৈ চলিব এই উৎসৱ। কালি উৎসৱৰ শুভ উদ্বোধনী অনুষ্ঠানত উপস্থিত থকা গণ্য মান্য ব্যক্তিসকলক সম্বৰ্দ্ধনা জনায় মেলা পৰিচালনা সমিতিয়ে। উক্ত উদ্বোধনী অনুষ্ঠানত অতিথি হিচাপে উপস্থিত থাকে যুৱ নেতা হাছান আলী, আফজালুৰ ৰহমান, মিৰাজুল ইছলাম, ময়নুল হক, নায়েৰ আলগা আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া সাহজাহান আলী আহমেদ,অসম চৰ পৰিষদৰ বিলাসীপাৰা জিলা সমিতিৰ সভাপতি শ্বাহজাহান আলী আহমেদ, জ্যেষ্ঠ সাংবাদিক ফৰিজ উদ্দিন আহমেদৰ লগতে বিভিন্ন ব্যক্তিসকল। শান্তি-শৃংখলা বজাই ৰাখি সকলোকে মেলা উপভোগ কৰিবলৈ আহ্বান জনাইছে পৰিচালনা সমিতিৰ হৈ ছায়েদ ইমদাদুল হকে।

## বনবিভাগৰ এনে বেআইনী আৰু আসুৰিক ভূমিকাক তীব্ৰ নিন্দা

# বনকৰ্মীৰ গুলীত মহিলা আহত হোৱা কাণ্ডক চিপিআইএমৰ নিন্দা

**ই-সংবাদ, ৩১ অক্টোবৰঃ** ২৯ অক্টোবৰত লামডিং বনাঞ্চলৰ অন্তৰ্গত নখুঁটি বীটৰ বনকৰ্মীয়ে মহিলাৰ দলৰ ওপৰত গুলী চলোৱাত খুদেজা খাতুন নামৰ মহিলাএগৰাকী গুৰুতৰভাৱে আহত হয়। চিপিআইএমৰ অসম ৰাজ্যিক কমিটিয়ে এই পাশৱিক ঘটনাক তীব্ৰ নিন্দা কৰিছে। লামডিং বনাঞ্চলৰ লগত সংলগ্ন নখুঁটিৰ ২ নং দেবেন গাঁৱৰ দুখীয়া মহিলাসকলে বনাঞ্চলত পৰি থকা খৰি নিয়মিত বুটলি ৰন্ধন কাৰ্যত ব্যৱহাৰ কৰে। ২৯ অক্টোবৰত আঠগৰাকী মহিলাই অইন দিনাৰ দৰে সিদিনাখনো বনাঞ্চলত পৰি থকা খৰি বুটলিবলৈ যায়। মহিলা দলটোৰ ওপৰত বনকৰ্মীয়ে বিনা প্ৰৰোচনাত যধে-মধে গুলীচালনা কৰে। গুলীচালনাৰ ফলত খুদেজা খাতুন নামৰ প্ৰায় ৪০ বছৰ বয়সীয়া এগৰাকী দুখীয়া পৰিয়ালৰ মহিলা গুৰুতৰভাৱে আহত হয়। প্ৰথম অৱস্থাত স্থানীয় চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছিল যদিও গুৰুতৰ আঘাতলৈ লক্ষ্য ৰাখি বৰ্তমান গুৱাহাটীৰ দিছপুৰ হাস্পতালত ভৰ্তি কৰোৱা হৈছে। চিপিআইএমৰ অসম ৰাজ্যিকে বনবিভাগৰ এনে বেআইনী আৰু আসুৰিক ভূমিকাক তীব্ৰ নিন্দা কৰিছে আৰু ঘটনাৰ বাবে দায়ীসকলক গ্ৰেপ্তাৰ কৰি কঠোৰ শাস্তি দিবলৈ দাবী জনাইছে। লামডিং বনাঞ্চলত বনবিভাগৰ অসাধু বিষয়া-কৰ্মচাৰীয়ে চোৰাং কাৰবাৰীৰ সৈতে জড়িত হৈ বনাঞ্চল ধ্বংসত লিপ্ত হৈ আছে। অথচ বনাঞ্চলৰ কোনো হানি নকৰাকৈ খৰি বুটলিবলৈ যোৱা স্থানীয় দুখীয়া নিৰীহ মহিলাৰ ওপৰত নিৰ্বিচাৰে গুলি চলাইছে। এইদৰেই ৰাজ্যত চলিছে অৰাজকতা, আইন-শৃংখলাহীনতা আৰু স্বৈৰাচাৰী শাসন।

## ধুহিত একতা দিৱস পালন নেহৰু যুৱ কেন্দ্ৰৰ

**ই-সংবাদ, ৰঙিয়া, ৩১ অক্টোবৰঃ** ভাৰত চৰকাৰৰ ক্ৰীড়া আৰু যুৱ কল্যাণ মন্ত্ৰালয়ৰ অধীনস্থ সংস্থা নেহৰু যুৱ কেন্দ্ৰৰ উদ্যোগত ৰঙিয়াৰ ধুহিত আজি ৰাষ্ট্ৰীয় একতা দিৱস পালন কৰা হয়। স্বেচ্ছাসেৱী অনুষ্ঠান সমৃদ্ধিৰ সহযোগত ধুহি গাঁও পঞ্চায়তৰ কাৰ্যালয় প্ৰাংগণত ৰূপায়িত কাৰ্যসূচীমৰ্মে চৰ্দাৰ বল্লভভাই পেটেলৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণৰে শ্ৰদ্ধা নিবেদন কৰা হয়। নেহৰু যুৱ কেন্দ্ৰ, কামৰূপৰ গাণনিক বিষয়া গোপীনাথ দাসৰ তত্বাৱধানত ৰূপায়িত কাৰ্যসূচীত ৰাষ্ট্ৰীয় পুৰস্কাৰ প্ৰাপ্ত প্ৰশিক্ষক হীতেন্দ্ৰ শৰ্মা, উদ্যোগ বিভাগৰ অৱসৰপ্ৰাপ্ত অধিক্ষক দুৰ্গা কিংকৰ ভট্টাচাৰ্য বিশিষ্ট অতিথিৰূপে উপস্থিত থাকে। স্থানীয় যুৱক-যুৱতীসকলে অংশগ্ৰহণ কৰা কাৰ্যসূচীৰ অংশৰূপে একতাৰ দৌৰো অনুষ্ঠিত কৰা হয়।

## মহামায়া সংৰক্ষিত বনাঞ্চলত বিলুপ্তিৰ দিশে বগাপিঠীয়া শগুণ

**ই-সংবাদ, পৰ্বতঝোৰা, ৩১ অক্টোবৰঃ** যি সময়ত প্ৰাকৃতিক পৰিৱেশৰ মাজত বগা পিঠীয়া শগুণ বিলুপ্ত হোৱাৰ পথত গতি কৰিছে ঠিক তেনে সময়তে বিটিআৰৰ কোকৰাঝাৰ জিলাৰ পৰ্বতঝোৰা মহকুমাৰ মহামায়া সংৰক্ষিত বনাঞ্চলসমূহত এতিয়াও বগা পিঠীয়া শগুণসমূহ দেখিবলৈ পোৱা গৈছে।উল্লেখ্য যে, পৰ্বতঝোৰাৰ মহামায়া শালনিত শগুণে বাঁহ সজা প্ৰত্যক্ষ হৈছে যদিও এটা প্ৰজাতিৰ চিলনীয়ে শগুণৰ বাঁহৰ পৰা কণীসমূহ ভক্ষণ কৰাৰ পৰিণতিত দিনক দিনে বগা পিঠীয়া শগুণৰ ওপৰত এক অশনি সংকেত আহি পৰিছে। ইপিনে বিটিআৰ চীফ প্ৰমোদ বড়ো চৰকাৰে বগা পিঠীয়া শগুণ সংৰক্ষণৰ বাবে প্ৰায় ৪ কোটি টকীয়া Chainlink Fenching প্ৰকল্পৰে পৰ্বতঝোৰাৰ মহামায়া বনাঞ্চলত বগা পিঠীয়া শগুণ সংৰক্ষণৰ বাবে আঁচনিৰ কাম আৰম্ভ কৰিছে যদিও অতি লেহেম গতিত কাম কৰাৰ অভিযোগ উত্থাপিত হৈছে। একে সময়তে মহামায়া সংৰক্ষিত বনাঞ্চলত এটা প্ৰজাতিৰ চিলনীৰ কৱলত পৰিছে উক্ত বগা পিঠীয়া শগুণসমূহ। সময় থাকোঁতেই অকল ফেন্সিং, হাইলেন বা নেষ্টিং টাৱাৰ(Nesting Tower) নিৰ্মাণ কৰি বিভাগীয় কৰ্তৃপক্ষই হাত সাবটি বহি নাথাকি বৈজ্ঞানিক পৰিকল্পনাৰে বগা পিঠীয়া শগুণৰ কণী বা বাসস্থান সংৰক্ষণৰ ব্যৱস্থা নকৰিলে বগা পিঠীয়া শগুণ এদিন যে কালৰ গৰ্ভত হেৰাই যাব সেয়া ধ্ৰুৱপ।

# নায়েৰ আলগাত ৰাইজৰ দলৰ গণ সমাৰেশ

**ই-সংবাদ, বিলাসীপাৰা, ৩১অক্টোবৰঃ** ৰাইজৰ দলৰ ধুবুৰী জিলা সমিতিৰ অন্তৰ্গত গৌৰীপুৰ সমষ্টিৰ বাঙালীপাৰাত আৰু বিৰসিং জৰুৱা সমষ্টিৰ নায়েৰ আলগা হায়াৰ চেকেণ্ডেৰী স্কুল প্ৰাংগণত বিশাল গণ সমাৰেশ অনুষ্ঠিত হয়। বিশাল গণ সমাৰেশত ৰাইজৰ দলৰ সভাপতি তথা অসমবাসী ৰাইজৰ বলিষ্ঠ কণ্ঠ অখিল গগৈ দেশৰ পৰিস্থিতি সন্দৰ্ভত ভাষণ দাঙি ধৰে। বিশাল গণ সমাৰেশত ৰাইজৰ দলৰ সাধাৰণ সম্পাদক ৰাছেল হুছেইন, আজিজুৰ ৰহমান, আশ্ৰাফুল ইছলাম, ৰাইজৰ দলৰ কেন্দ্ৰীয় কমিটীৰ সাংগঠনিক সাধাৰণ সম্পাদক মোছলেম উদ্দিন চৌধুৰী, কেন্দ্ৰীয় সমিতিৰ সাংগঠনিক সম্পাদক মনছুৰ ৰহমান, ধুবুৰী জিলা সভাপতি জামাল হক, সাধাৰণ সম্পাদক গিয়াচুদ্দিন



আহমেদ আদিকে ধৰি ৰাইজৰ দলৰ বিভিন্ন পৰ্যায়ৰ নেতা-কৰ্মী উপস্থিত থাকে। ৰাইজৰ দলৰ সভাপতি অখিল গগৈয়ে বৰ্তমানৰ বিজেপি চৰকাৰখনক তুলাধূনা দি ২০২৬ৰ নিৰ্বাচনত বিজেপিক ব্ৰহ্মপুত্ৰত ৰাইজে দলিয়াই দিব বুলিও মন্তব্য কৰে।

## অহা ৯ আৰু ১০ নৱেম্বৰত তিনিচুকীয়া জিলাত বিশেষ আয়োজন

# ক্ষুদ্ৰ চাহ খেতিয়ক সন্থাৰ দশম ত্ৰি-বাৰ্ষিক অধিৱেশনৰ আয়োজন

**ই-সংবাদ, ডুমডুমা, ৩১ অক্টোবৰঃ** ৰাজ্যৰ প্ৰায় দুই লাখৰো অধিক ক্ষুদ্ৰ চাহ খেতিয়কৰ তিনিচুকীয়া জিলাৰ প্ৰায় ৫৬ হাজাৰতকৈ অধিক খেতিয়কে আৰ্থিক নিৰাপত্তাহীন পৰিৱেশত নিজকে বৰ্তাই ৰখাৰ লগতে প্ৰায় ৭-৮ লাখ লোকক জীৱিকা প্ৰদান কৰিছে। সমান্তৰালকৈ প্ৰতিজোপা চাহ গছে জীৱকুলক দিছে 'অক্সিজেন'। বিশ্বায়নৰ পৃথিৱীত সামগ্ৰীৰ আকাশলংঘী মূল্যবৃদ্ধিৰ সময়ত আজিৰ তাৰিখত এওঁলোকে উৎপাদন কৰা কেঁচা চাহপাতৰ উৎপাদন খৰচ পাবলৈও অক্ষম। অবৈধ কেঁচা চাহপাত অসমত প্ৰৱেশ বন্ধ কৰা, MSP, NOC, ভূমি পট্টা আদি অধিকাৰৰ দাবীত তিনিচুকীয়া জিলা সমিতিৰ নেতৃত্বত যোৱা বৰ্ষৰ ৮ ছেপ্টেম্বৰত চাহ নগৰী ডুমডুমাত পাঁচ সহস্ৰাধিক ক্ষুদ্ৰ চাহ খেতিয়ক লগ হৈ 'গণ গৰ্জন'ৰ মাধ্যমেৰে নিজৰ অধিকাৰ বিচাৰি চিঞৰি উঠিছিল। ৰাজ্যৰ ভিতৰতে সৰ্বাধিক চাহ উৎপাদন কৰা জিলা হিচাপে তিনিচুকীয়াৰ ক্ষুদ্ৰ চাহ খেতিয়কসকলৰ কথা কৈ শেষ কৰিব নোৱাৰি। জিলাখনৰ চাহ খেতিয়কসকলৰ সমস্যাসমূহৰ সমাধানৰ লক্ষ্যৰে অহা ৯ আৰু ১০ নৱেম্বৰত ইয়াৰ নগৰ খেলপথাৰত দুদিনীয়াকৈ জিলাখনৰ সকলো স্তৰৰ খেতিয়কৰ পূৰ্ণ সহযোগিতাত দশম ত্ৰি-বাৰ্ষিক জিলা অধিৱেশনৰ পূৰ্ণ প্ৰস্তুতি চলোৱা হৈছে। এই উপলক্ষে ৯ নৱেম্বৰৰ পুৱা ৮ বজাত পতাকা উত্তোলন কৰিব জিলা সভাপতি মঃ আমিনে। স্মৃতি তৰ্পণ কৰিব সম্পাদক অজিত গগৈয়ে। ৯ বজাত গছপুলি ৰোপণ কৰিব জিলা সমিতিৰ উপদেষ্টা মজিত মৰাণে। ১০ বজাত প্ৰদৰ্শনী দ্বাৰ মুকলি কৰিব সদৌ অসম ক্ষুদ্ৰ চাহ খেতিয়ক সন্থাৰ ১ নং মণ্ডলৰ সম্পাদক মোহন শৰ্মাই। প্ৰতিনিধি পঞ্জীয়ন, লঘু আহাৰৰ পাছত দিনৰ ১ বজাত 'অসমৰ মাটিত উৎপাদিত চাহহে অসম চাহ আৰু অসম চাহ জীয়াই ৰখাত আমাৰ কৰণীয়' শীৰ্ষক আলোচনা চক্ৰ উদ্বোধন কৰিব অভ্যৰ্থনা সমিতিৰ সভাপতি হৰকান্ত মহন্তই। সঞ্চালনা কৰিব জিলা সমিতিৰ মুখ্য উপদেষ্টা পুণ্য ৰাজখোৱাই। আলোচনা চক্ৰত আলোচক হিচাপে কেবাগৰাকীও বিশিষ্ট লোকে অংশগ্ৰহণ কৰিব। প্ৰতিনিধি শিবিৰ মুকলি কৰিব ৰাজ্যিক সমিতিৰ সদস্য অৰূপ কুমাৰ বৰুৱাই। প্ৰতিনিধি সভা উদ্বোধন কৰিব ৰাজ্যিক সমিতিৰ মুখ্য উপদেষ্টা অশ্বিনী বৰুৱাই। ১০ নৱেম্বৰৰ দিনৰ ১১ বজাত জিলাখনৰ ন-পুৰণি খেতিয়কসকলৰ মাজত 'অন্তৰংগ আলাপ' অনুষ্ঠান অনুষ্ঠিত হ'ব। সঞ্চালনা কৰিব দ্ৰোণ চাৰিঙীয়া ফুকনে। দিনৰ ১ বজাৰ পৰা অনুষ্ঠিত হ'বলগীয়া মুকলি সভাত সভাপতিত্ব কৰিব মঃ আমিনে। উক্ত সভাতেই উন্নতমানৰ চাহ উৎপাদনকাৰী বিশেষ দহগৰাকী ব্যক্তিক সম্বৰ্ধনা জনোৱাৰ লগতে ৰবীন মৰাণ, প্ৰাঞ্জল মজুমদাৰ আৰু ভদ্ৰেশ্বৰ বৰুৱাৰ সম্পাদনাত প্ৰকাশ পাবলগীয়া স্মৃতিগ্ৰন্থ 'এটি কলি দুটি পাত' উন্মোচন কৰিব সন্থাৰ ৰাজ্যিক সমিতিৰ সদস্য হাইদৰ আলীয়ে। মুখ্য অতিথি হিচাপে উদ্যোগ আৰু বাণিজ্য মন্ত্ৰী বিমল বৰা উপস্থিত থকাৰ সমান্তৰালকৈ বিশিষ্ট অতিথি হিচাপে শ্ৰমমন্ত্ৰী সঞ্জয় কিষাণৰ লগতে যোৰহাট লোকসভা সমষ্টিৰ সাংসদ গৌৰৱ গগৈ আৰু শিৱসাগৰ বিধানসভা সমষ্টিৰ বিধায়ক অখিল গগৈয়ে অংশগ্ৰহণ কৰিব। মুকলি সভাত সাংবাদিক ৰাজদ্বীপ বাইলুং বৰুৱাই নিৰ্দিষ্ট বক্তা হিচাপে ভাষণ প্ৰদান কৰিব। সন্মানীয় অতিথি হিচাপে কেবাগৰাকীও বিশিষ্ট তথা সন্মানীয় ব্যক্তি উপস্থিত থাকিব। জিলাখনৰ শেষৰো শেষৰজন চাহ খেতিয়কক লৈ 'আমি এক চাহ খেতিয়ক জাতি' শীৰ্ষক শ্ল'গানেৰে খেতিয়কসকলে শপত লোৱা এই অধিৱেশনখনলৈ উদযাপন সমিতিয়ে ৰাইজক আমন্ত্ৰণ জনাইছে।

## ধৰ্ষণত লিপ্ত ৬৭ বছৰীয়া বৃদ্ধক গ্ৰেপ্তাৰ

**ই-সংবাদ, গোলকগঞ্জ, ৩১ অক্টোবৰঃ** ধুবুৰী জিলাৰ গোলকগঞ্জ থানাৰ অন্তৰ্গত বিষখোৱা পঞ্চম খণ্ড (লাউখোৱা) গাঁৱৰ গাঁওৰক্ষী বাহিনীৰ সম্পাদকক কালি বিয়লি আৰক্ষীয়ে ধৰ্ষণৰ গোচৰত গ্ৰেপ্তাৰ কৰে। গাঁৱৰ শান্তি-শৃংখলাৰ দায়িত্বত নিয়োজিত গাঁওৰক্ষী বাহিনীৰ সম্পাদক ৬৭ বছৰীয়া বিপিন চন্দ্ৰ প্ৰধানীয়ে গাঁওখনৰ এগৰাকী বিশেষভাৱে সক্ষম যুৱতীক ধৰ্ষণ কৰা ঘটনাই সমগ্ৰ অঞ্চলটোতে প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। অভিযোগ মতে, বৃদ্ধ বিপিন চন্দ্ৰ প্ৰধানীয়ে যুৱতীগৰাকীৰ অসহায়তাৰ সুযোগ লৈ দীৰ্ঘদিনৰ পৰাই ধৰ্ষণ কৰি আহিছিল। অৱশেষত যুৱতী গৰাকী অন্তঃসত্বা হয়। সম্প্ৰতি যুৱতীগৰাকী তিনি মাহৰ অন্তঃসত্বা। এই সন্দৰ্ভত পৰিয়ালৰ লোকে গোলকগঞ্জ থানাত এখন এজাহাৰ দিয়ে। গোলকগঞ্জ আৰক্ষীয়ে ভাৰতীয় ন্যায় সংহিতাৰ ৩২৯(৪), ৬৪(২), ৩৫১(২) নং ধাৰাত ২৪৩/২৪ নম্বৰত গোচৰ ৰুজু কৰি কালি বিয়লি লম্পট গাঁওৰক্ষী বাহিনীৰ সম্পাদক বিপিন চন্দ্ৰ প্ৰধানীক গ্ৰেপ্তাৰ কৰে।




# দক্ষিণপাটত গাহৰি পালন সম্পৰ্কীয় প্ৰশিক্ষণ শিবিৰ সম্পন্ন

**ই-সংবাদ, বেবেজীয়া, ৩১ অক্টোবৰঃ** নগাঁও জিলাৰ বেবেজীয়াৰ সমীপৰ দক্ষিণপাটত অসম কৃষি বিশ্ববিদ্যালয়ৰ অধীনৰ খানাপাৰা পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয়ৰ অন্তৰ্গত সৰ্বভাৰতীয় গাহৰি গৱেষণা প্ৰকল্প আৰু নগাঁৱৰ কৃষি বিজ্ঞান কেন্দ্ৰৰ যুটীয়া উদ্যোগত বুধবাৰে বিজ্ঞানসন্মত গাহৰি পালন আৰু জৈৱ সুৰক্ষা সম্পৰ্কীয় এটি প্ৰশিক্ষণ শিবিৰ অনুষ্ঠিত কৰা হয়। অনুসূচিত জাতি উপ-পৰিকল্পনাৰ অধীনত অনুষ্ঠিত হোৱা এই শিবিৰত কুৰিজন হিতাধিকাৰীয়ে অংশগ্ৰহণ কৰে। শিবিৰত পশু বংশগতি আৰু প্ৰজনন বিভাগৰ সহযোগী অধ্যাপিকা ডাঃ অৰুন্ধতী ফুকনে এইচ ডি কে-৭৫ প্ৰজাতিৰ গাহৰিৰ বিষয়ে সবিশেষ ব্যাখ্যা আগবঢ়াই কৃষকৰ দুগুণ আয়ৰ বাবে এই প্ৰজাতিৰ গাহৰি পালনৰ উপকাৰী প্ৰভাৱৰ বিষয়ে আলোকপাত কৰে। নগাঁৱৰ কৃষি বিজ্ঞান কেন্দ্ৰৰ পশু বিজ্ঞান বিশেষজ্ঞ ড০ অনিমেশ ডেকাই গাহৰি পামৰ জৈৱ সুৰক্ষা উপায়সমূহৰ বিষয়ে গাহৰি পালকসকলক অৱগত কৰে। উক্ত শিবিৰত গাহৰি পালকসকলৰ মাজত বিনামূলীয়াকৈ গাহৰি পোৱালি আৰু পানীৰ পাম্প বিতৰণ কৰা হয়। শিবিৰত নগাঁৱৰ কৃষি বিজ্ঞান কেন্দ্ৰৰ মীন সহায়ক ৰূপক কুমাৰ টায়ে, সৰ্বভাৰতীয় গাহৰি গৱেষণা প্ৰকল্পৰ কাৰ্যকৰী সহযোগী ড০ নিপু ডেকাৰ লগতে স্থানীয় ৰাইজ উপস্থিত থাকে।

# চামগুৰিত দিপ্লুৰঞ্জন শৰ্মাৰ হৈ নিৰ্বাচনী প্ৰচাৰ কেন্দ্ৰীয় মন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটাৰ

**ই-সংবাদ, পুৰণিগুদাম, ৩১ অক্টোবৰঃ** নগাঁও জিলাৰ চামগুৰি সমষ্টিৰ আসন্ন উপ-নিৰ্বাচনত বিজেপি দলৰ মনোনীত প্ৰাৰ্থী তথা ৰাজ্যিক বিজেপিৰ সাধাৰণ সম্পাদক দিপ্লুৰঞ্জন শৰ্মাৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলোৱাৰ লগতে দলীয় নেতা-কৰ্মীৰে নিৰ্বাচন সন্দৰ্ভত মত-বিনিময় কৰিবলৈ আজি চামগুৰিত উপস্থিত হ'ল ৰাজ্য সভাৰ সাংসদ তথা কেন্দ্ৰীয় মন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটা। চামগুৰিৰ ফুকনটোলত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে দীপাৱলী উপলক্ষে ১১ গছিকৈ বন্তি প্ৰজ্বলন কৰি নিৰ্বাচনী প্ৰচাৰ কাৰ্যসূচী শুভাৰম্ভ কৰে আৰু নিৰ্বাচন সম্পৰ্কীয় মত-বিনিময় কৰিবলৈ দলীয় কাৰ্যকৰ্তাৰ সৈতে বৈঠকত মিলিত হয়। চামগুৰি সমষ্টিবাসী ৰাইজৰ মঙ্গল কামনাৰে কৰা উক্ত বন্তি প্ৰজ্বলন কাৰ্যসূচীত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীক সহযোগ কৰে কলিয়াবৰ জিলা বিজেপিৰ সভাপতি বাবুল বৰা, পুৰণিগুদাম মণ্ডল বিজেপিৰ সভাপতি মিন্টু শৰ্মা প্ৰমুখ্যে চামগুৰিৰ স্থানীয় বিজেপিৰ নেতা-কৰ্মীসকলে। পৰৱৰ্তী সময়ত চামগুৰিৰ গেন্ধালী, বাঘবৰালি, কুৰুৱাবাহী আদিকে ধৰি সমষ্টিটোৰ বিভিন্ন অঞ্চলত গৃহস্থীৰ চোতেলে-চোতালে অনুষ্ঠিত কৰা নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰি চামগুৰি সমষ্টিৰ উন্নয়ন তথা পৰিয়াল কেন্দ্ৰীক ৰাজনীতি অৱসান ঘটোৱাৰ স্বাৰ্থত দিপ্লুৰঞ্জন শৰ্মাক ভোট দি জয়যুক্ত কৰাবলৈ ৰাইজক আহ্বান জনায়। সাংবাদিকে সোধা প্ৰশ্নৰ উত্তৰত মন্ত্ৰীগৰাকীয়ে কয় যে, ডাবল ইঞ্জিন চৰকাৰৰ দিনত ৰাজনৈতিকভাৱে সচেতন চামগুৰিবাসী ৰাইজে চামগুৰিৰ গব্বৰ সিঙক কেতিয়াও প্ৰশ্ৰয় নিদিয়ে লগতে গব্বৰ সিঙ, দুৰ্যোধন, ৰাৱনৰ শেষ পৰিণতি সন্দৰ্ভতো মন্তব্য প্ৰদান কৰি কয় যে ৰাইজে ভয়-ভাবুকি, অত্যাচাৰক এটা সময়ৰ পাছত সহ্য নকৰে আৰু সামাজিক-সাংস্কৃতিকভাৱে সচেতন ৰাইজে শান্তি-সম্প্ৰতি আৰু প্ৰগতিৰ সৈতে থিয় দিব। আনহাতে, চামগুৰিৰ পৰা কৰ্ম সূত্ৰে বাহিৰত থকা লোকসকলক ভোটগ্ৰহণৰ দিনা উপস্থিত থাকি ভোটাধিকাৰ সাব্যস্ত কৰিবলৈ সংবাদ-মাধ্যমৰ জৰিয়তে আহ্বান জনায়।



নিৰ্বাচনী প্ৰচাৰত ব্যস্ত গাম্বেগ্ৰে সমষ্টিৰ উপ-নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰা মেঘালয়ৰ মুখ্যমন্ত্ৰী কনৰাড চাংমাৰ পত্নী

# হোজাইৰ বিন্নাকান্দি উন্নয়ন খণ্ডত প্ৰহসনত পৰিণত এনৰেগা

**ই-সংবাদ, মোৰাঝাৰ, ৩১ অক্টোবৰঃ** হোজাই জিলাৰ বিন্নাকান্দি উন্নয়ন খণ্ডত উন্নয়ন স্তৱিৰ হৈ পৰিছে। একপ্ৰকাৰ এমজিএনৰেগা আইনখন প্ৰহসন পৰিণত হৈছে। বিগত দিনত কোনো উন্নয়নমুলক আঁচনি ৰূপায়ণ হোৱা নাই। যাৰ বাবে ৰাইজৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। পূৰ্বৰ যমুনামুখ সমষ্টি আৰু বৰ্তমান নৱগঠিত বিন্নাকান্দি সমষ্টিৰ দুই লাখৰো অধিক ভোটাৰ ৰাইজৰ একমাত্ৰ উন্নয়ন খণ্ড হৈছে বিন্নাকান্দি উন্নয়ন খণ্ড। বিগত দিনত এনৰেগাৰ এখনো আঁচনি শুভাৰম্ভ নোহোৱাত পঞ্জীয়নভুক্ত এম জি এনৰেগাৰ শ্ৰমিকসকলৰ পানীত হাঁহ নচৰা অৱস্থাৰ সৃষ্টি হৈছে। প্ৰাপ্ত তথ্য অনুসৰি বিন্নাকান্দি উন্নয়ন খণ্ডৰ অধীনত এনৰেগাৰ শ্ৰমিক আছে ৫৫৯০২ গৰাকী। এইসকলে পোৱা নাই কাম। বিগত দুবছৰৰ অন্তত এম জি এনৰেগাৰ আঁচনি বিভাগীয় নীতি নিয়মমতে অনুমোদন লাভ কৰিছে। অনুমোদিত এই আঁচনিসমূহ ৰহস্যজনকভাৱে বন্ধ কৰি ৰখা হৈছিল। বৰ্তমানৰ বিন্নাকান্দি উন্নয়ন খণ্ডৰ বিষয়া নৱজিৎ বৰ্মনে এইসমূহ কাম আৰম্ভ কৰাৰো কোনো পদক্ষেপ লোৱা নাই। ৰাইজে বাৰম্বাৰৰ দাবী জনালেও তেওঁ উৰ্দ্ধতম কতৃপক্ষলৈ ঠেলি দি দায়িত্ব সামৰে। উল্লেখ্য যে উন্নয়ন খণ্ডটোৰ সকলো কাম-কাজৰ ধন মুকলি প্ৰক্ৰিয়া আৰু নতুন আঁচনি অনুমোদনৰ পিছতো হোজাই জিলা পৰিষদৰ কাৰ্যবাহী বিষয়াই বন্ধ কৰি দিয়াৰ ফলত এনৰেগা শ্ৰমিক নিজৰ অধিকাৰৰ পৰা বঞ্চিত হোৱাৰ লগতে আঁচনি ৰূপায়ণ আধৰুৱা হৈ পৰে। বিন্নাকান্দি উন্নয়ন খণ্ডৰ নতুন বিষয়াগৰাকীয়ে কাৰিকৰী অসুবিধাৰ দোহাই দি কাম কৰা নাই। ফলত ৰাইজৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। জিলা পৰিষদৰ কাৰ্যবাহী বিষয়াই এই ক্ষেত্ৰত ৰহস্যজনক ভূমিকা পালন কৰাৰো অভিযোগ উঠিছে। এম জি এনৰেগাৰ নিয়মমতে পঞ্জীয়নভুক্ত শ্ৰমিকক এশ দিনৰ মজুৰি নিশ্চিত কৰিব লাগে যদিও বিগত ছমাহে এপইচাও লাভ কৰা নাই। এই কাম মোকলাই দিয়া আৰু শ্ৰমিকসকলৰ দুৰৱস্থা সন্দৰ্ভত অচিৰেই কোনো ব্যৱস্থা গ্ৰহণ নকৰিলে তীব্ৰ গণতান্ত্ৰিক আন্দোলন গঢ়ি তোলাৰ লগতে আদালতৰ দ্বাৰস্থ হোৱাৰ হুংকাৰ দিছে জবকাৰ্ড শ্ৰমিকসকলে।

# ডিমাকুছিত বন্যহস্তীৰ আক্ৰমণত এজন আহত

**ই-সংবাদ, ডিমাকুছি, ৩১ অক্টোবৰঃ** ৰাজ্যত অব্যাহত আছে হাতী মানুহৰ সংঘাত। বিশেষকৈ ভাৰত-ভূটান সীমান্তৰ অঞ্চলসমূহত তীব্ৰ ৰূপ ধাৰণ কৰি আহিছে এই সংঘাতে। ওদালগুৰি জিলাৰ ডিমাকুছি, বাদলাপাৰা, টেংকিবস্তী, ৰাজগড়, নালাপাৰা, ভোলাটাৰ, বৰংগাজুলি, আটাৰীখাট, ভূটিয়াচাং, বগৰীতলকে ধৰি বিভিন্ন অঞ্চলত প্ৰতি দিনে ঘৰ-দুৱাৰ লণ্ড-ভণ্ড কৰাৰ উপৰিও খেতি-বাতি, ভৰালৰ ধান, খেতি পথাৰৰত বিঘাই-বিঘাই ধান খেতি তহিলং কৰি অহাৰ সময়তে পুনৰ ভূটান সীমান্তৱৰ্তী ডিমাকুছিত বন্যহস্তীৰ আক্ৰমণত গুৰুতৰভাৱে আহত হৈছে এগৰাকী শ্ৰমিক। প্ৰাপ্ত খবৰ অনুযায়ী, বুধবাৰে পুৱতি নিশা ওদালগুৰি জিলাৰ ডিমাকুছি আৰক্ষী থানাৰ অন্তৰ্গত ১ নং উত্তৰ ডিমাকুছিত বন্যহস্তীয়ে কেশৱ গোঁড় (৫৫) নামৰ লোক এজনক গচকি গুৰুত্বৰভাৱে আহত কৰে। নিশা বন্যহস্তীৰ বৃহৎ জাকৰ পৰা ফালৰি কাতি অহা খাদ্যৰ সন্ধানত গাঁওত সোমোৱা দুটা বন্যহস্তীয়ে শুই থকা অৱস্থাতেই কেশৱ গোঁড়ৰ বাসগৃহ ভাঙি শুৰেৰে টানি নি কেশৱক গছকি আহত কৰাৰ বিপৰীতে কথমপি প্ৰাণ ৰক্ষা পৰে তেওঁলোকৰ পৰিয়ালৰ লোক। বন্যহস্তীৰ আক্ৰমণত আহত হোৱা কেশৱ গোঁড়ক সংকটজনক অৱস্থাত নিশাই ওদালগুৰি চিকিৎসালয়লৈ প্ৰেৰণ কৰে। বাতৰি সংগ্ৰহ কৰাৰ সময়লৈকে সংকটজনক অৱস্থাত চিকিৎসাধীন হৈ আছে শ্ৰমিক লোকজন। ইফালে একেনিশাই শান্তিপুৰ গাঁৱতো কেইবাটাও পৰিয়ালৰ ঘৰ-দুৱাৰ ভাঙি চুৰমাৰ কৰে বন্যহস্তীয়ে। পিছে বন্যহস্তীৰ সন্ত্ৰাস ৰোধ কৰিবলৈ সম্পূৰ্ণৰূপে ব্যৰ্থ হৈ পৰা বনবিভাগটোৱে সকলো দেখি শুনিও কুম্ভকৰ্ণ নিদ্ৰাত মগ্ন হোৱা পৰিলক্ষিত হৈছে। কেশৱ গোঁড়ৰ পৰিয়ালটোক সহায় কৰিবলৈ স্থানীয় জনপ্ৰতিনিধিক আহ্বান জনাইছে ৰাইজে।

# মুম্বাইত পাঞ্জা চেম্পিয়নশ্বিপত পৰিস্মিতাৰ স্বৰ্ণ পদক জয়



**ই-সংবাদ, ৩১ অক্টোবৰঃ** মুম্বাইত অনুষ্ঠিত পাঞ্জা খেলত উজলি উঠিছে শিৱসাগৰ জিলাৰ আমগুৰিৰ পৰিস্মিতা গগৈয়ে। মুম্বাইত যোৱা ২৪ অক্টোবৰত অনুষ্ঠিত অষ্টম এছিয়ান আৰ্ম-ৰেষ্টলিং চেম্পিয়নশ্বিপ শীৰ্ষক পাঞ্জা প্ৰতিযোগিতাত সোণৰ পদক লাভ কৰি অসমলৈ গৌৰৱ কঢ়িয়াইছে কিশোৰীগৰাকীয়ে। আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ এই প্ৰতিযোগিতাখনত পৰিস্মিতাই সুন্দৰ প্ৰদৰ্শন দাঙি ধৰিবলৈ সমৰ্থ হয়। পৰিস্মিতাই যোৰহাটত পাঞ্জাৰ অনুশীলন কৰাৰ লগতে শেহতীয়াকৈ আমগুৰিৰ এটা জিমতো শাৰীৰিক অনুশীলন কৰিছিল। উল্লেখ্য যে, চলিত বৰ্ষতে মহাৰাষ্ট্ৰৰ নাগপুৰ আৰু গুৱাহাটীত অনুষ্ঠিত হোৱা পাঞ্জা প্ৰতিযোগিতাতো ৰূপৰ পদক লাভ কৰিছিল পৰিস্মিতাই। পৰিস্মিতাৰ এই সাফল্যত আমগুৰিৰ অভয়পুৰীয়া জাপিসজীয়াৰ ৰাইজে ৰাজহুৱাভাৱে সম্বৰ্ধনা জ্ঞাপন কৰে।



মুম্বাইত হ'বলগীয়া তৃতীয় টেষ্টৰ পূৰ্বে অনুশীলনৰ সময়ত নিউজিলেণ্ডৰ টীম ছাউথি



ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে নৰ্থ ছাউণ্ডৰ প্ৰথম টেষ্টত সুন্দৰ শ্বট ভ্ৰমণৰত ইংলেণ্ড দলৰ লিয়াম লিভিংষ্টোনৰ, বৃহস্পতিবাৰে

## ৰাজস্থান ৰয়েলছত এইবাৰ পাব ১৪ কোটি

# আইপিএলত চাহিদা বাঢ়িল অসম সন্তান ৰিয়ানৰ

**জয়পুৰ, ৩১ অক্টোবৰঃ** ক্ৰিকেটৰ মহোৎসৱ ইণ্ডিয়ান প্ৰিমিয়াম লীগ ২০২৫ৰ উত্তেজনা লাহে লাহে আৰম্ভ হৈছে সমগ্ৰ দেশত। দেশী-বিদেশী খেলুৱৈসকলৰ মেগা নিলামৰ পূৰ্বে কোনে কাক ধৰি ৰাখিব পাৰে তাৰ বাবে ইতিমধ্যে প্ৰস্তুতি সম্পূৰ্ণ কৰিছে প্ৰতিটো আইপিএল ফ্ৰেঞ্চাইজিয়ে। ক্ৰিকেট উন্মাদনাৰ এনে সময়ত পুনৰ ৰাজস্থান ৰয়েলছৰ সৈতে চুক্তিবদ্ধ হোৱাৰ বাবে সাজু হৈছে অসম সন্তান ৰিয়ান পৰাগ। উল্লেখ্য যে, শেহতীয়াকৈ আইপিএল ছিজনত দুৰ্দান্ত প্ৰদৰ্শনেৰে সকলোৰে দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হোৱা ৰিয়ান পৰাগ এতিয়া ভাৰতীয় আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট দলৰো অংশ। এনে পৰিপ্ৰেক্ষিতত এইবাৰ আইপিএলত স্বাভাৱিকতেই চাহিদা বাঢ়িছে ৰিয়ানৰ। জানিব পৰা মতে, ৰিয়ান পৰাগে ২০২৫ৰ আইপিএলতো ৰাজস্থানৰ ৰয়েলছৰ হৈয়ে খেলিব। শেহতীয়া সংস্কৰণ আৰু পৰৱৰ্তী ভাৰতীয় দলৰ হৈ আন্তঃৰাষ্ট্ৰীয় খেলত কৰা প্ৰদৰ্শনৰ পিছত এইবাৰৰ আইপিএল ছিজনত ৰিয়ানৰ মাননি ১৪ কোটি টকালৈ বৃদ্ধি কৰা হৈছে। মন কৰিবলগীয়া যে, আইপিএলত ৰাজস্থান ৰয়েলছৰ হৈয়ে খেলি আহিছে ৰিয়ানে। কিন্তু ২০২৪ৰ আইপিএল ছিজনৰ পূৰ্বে নিজৰ প্ৰদৰ্শনক লৈ বাৰে বাৰে সমালোচিত হৈ আহিবলগীয়া হৈছিল ৰিয়ান। একে সময়তে ৰিয়ানক কিয় বাৰে বাৰে ৰাজস্থান ৰয়েলছে ধৰি ৰাখিছে তাক লৈ ফ্ৰেঞ্চাইজি দলটোও সমালোচনাৰ সন্মুখীন হ'বলগীয়া হৈছিল। কিন্তু বিগত ছিজনৰ পিছত ২০২৫ আইপিএল ছিজনতো ৰিয়ান পৰাগ অন্যমত চৰ্চিত খেলুৱৈসকলৰ ভিতৰত এজন হ'ব বুলি আশা কৰিছে ক্ৰিকেটনুৰাগীসকলে। অন্যহাতে আগন্তুক আইপিএল ছিজনত ৰাজস্থান ৰয়েলছক পুনৰ এবাৰ নেতৃত্ব দিব ছঞ্জু ছেমছনে। দলটোৱে শেহতীয়াকৈ প্ৰকাশ কৰা ৰিটেইন তালিকাত থকা আন আন ক্ৰিকেটাৰসকলৰ ভিতৰত আছে যশস্বী জয়ছোৱাল, ধ্ৰুৱ জুৰেল, ছিমৰন হেটমেয়াৰ আৰু সন্দীপ শৰ্মা।

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)
সম্পাদকঃ বিজি গগৈ (অবৈতনিক)